


# 3 ভাৰতীয় গণতন্ত্ৰৰ ইতিবৃত্ত

# The Story of Indian Democracy

আমাৰ সকলোৰে পৰিচিত এটি ধাৰণা হ'ল যে গণতন্ত্ৰ হৈছে জনতাৰ কাৰণে, জনতাৰ দ্বাৰা পৰিচালিত জনতাৰ চৰকাৰ। গণতন্ত্ৰক প্ৰধানকৈ দুটা দিশত দেখা পোৱা যায়। যেনে-- প্ৰত্যক্ষ (direct) আৰু প্ৰতিনিধিত্বমূলক (representative) । প্ৰত্যক্ষ গণতন্ত্ৰ ব্যৱস্থাত সকলো নাগৰিকে কোনো মধ্যস্থতাকাৰী নিৰ্বাচক অথবা বিষয়াৰ সহায় নোহোৱাকৈ ৰাজহুৱা সিদ্ধান্ত গ্ৰহণত অংশ ল'ব পাৰে। কিন্তু এনেধৰণৰ ব্যৱস্থাই আপেক্ষিকভাৱে কম জনসংখ্যাৰ গোটতহে কাৰ্যকৰী হোৱা পৰিলক্ষিত হয়। যেনে--কোনো সম্প্ৰদায়ৰ সংগঠন অথবা জনজাতি পৰিষদ, শ্ৰমিক সংঘৰ (trade union) স্থানীয় গোটবোৰ আদি। এই গোটবোৰৰ সদস্যসকলে কোনো ঠাইত মিলিত হৈ সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাকৈ যিকোনো সিদ্ধান্ত সহজেই ল'ব পাৰে।

আধুনিক কালৰ বৃহৎ জনসংখ্যাৰ কলেবৰ তথা জনসংখ্যাৰ বৰ্দ্ধিত জটিলতাই প্ৰত্যক্ষ গণতন্ত্ৰৰ সুবিধা কমেইহে দিব পাৰে। দৰাচলতে, বৰ্তমানকালৰ সকলোৰে গৃহীত গণতান্ত্ৰিক প্ৰক্ৰিয়া হৈছে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ। ই লাগিলে পঞ্চাছ হেজাৰ জনসংখ্যাৰে গঠিত এখন নগৰেই হওক বা এক বিলিয়ন জনসংখ্যাৰে পৰিপূৰ্ণ এখন দেশৰ নাগৰিকেই হওক। এই প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ব্যৱস্থাৰ জৰিয়তে দেশৰ নাগৰিকে তেওঁলোকৰ প্ৰতিনিধি বা বিষয়ববীয়া নিৰ্বাচন কৰে। সেই প্ৰতিনিধিবোৰে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে, আইন প্ৰণয়ন কৰে আৰু ৰাজহুৱা স্বাৰ্থজড়িত আঁচনিবোৰ পৰিচালনা কৰে।



আমাৰ দেশৰ গণতান্ত্ৰিক ব্যৱস্থা হৈছে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ। দেশৰ প্ৰতিজন নাগৰিকৰ তেওঁলোকৰ প্ৰতিনিধিজন নিৰ্বাচন কৰোঁতে তেওঁ ভোটাধিকাৰ পায়। জনতাই সেইদৰে চৰকাৰৰ সকলো পৰ্য্যায়ত, যেনে -- পঞ্চায়ত, নগৰ বা পৌৰ নিকায় (Municipal Board), ৰাজ্য বিধান সভা তথা সংসদলৈ নিজ প্ৰতিনিধি নিৰ্বাচন কৰাৰ সুযোগ পায়। কিন্তু যুগ সাপেক্ষে এটি বদ্ধমূল ধাৰণা আছে যে কেৱল মাত্ৰ পাঁচবছৰৰ অন্তৰে অন্তৰে নিয়মীয়াকৈ ভোটাধিকাৰ সাব্যস্ত কৰাটোৱেই যথেষ্ঠ

নহয়। বৰঞ্চ গণতান্ত্ৰিক ব্যৱস্থাৰ লগত নিজকে আৰু অধিক খাপ খুৱাই যাবলৈ সুবিধা লাভ কৰিব পাৰে। সেই অনুপাতে সহভাগী গণতন্ত্ৰ (Participatory democracy) আৰু বিকেন্দ্ৰীকৃত চৰকাৰ decentralised governance) এই দুটি ধাৰণা বৰ্তমান ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠিছে। সহভাগী গণতন্ত্ৰ হৈছে এনে এক ব্যৱস্থা য'ত সমূহ বা সম্প্ৰদায়ৰ ব্যক্তিসকলে সমূহীয়াকৈ কোনো সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এই অধ্যায়ত পঞ্চায়তীৰাজ ব্যৱস্থাক উদাহৰণস্বৰূপে লৈ আলোচনা কৰা হ'ব আৰু চোৱা হওক কিদৰে এই ব্যৱস্থাই বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়া আৰু তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰক আগবঢ়াই নিয়াত প্ৰধান ভূমিকা পালন কৰিব পাৰে।

উল্লেখিত এই দুয়োবিধ গণতান্ত্ৰিক প্ৰমূল্যক বহু বছৰৰ আগৰে পৰা আনকি ঔপনিৱেশ শাসনৰ বিৰুদ্ধে সংগ্ৰামৰ কালছোৱাতো সজীৱ কৰি ৰখা হৈছিল। স্বাধীনতাৰ পাছত যোৱা ষাঠি বছৰ বিশাল বৈচিত্ৰ্য আৰু অসমতা তথা বিভাজনেৰে ভৰি থকা ভাৰতবৰ্ষই ইয়াৰ গণতান্ত্ৰিক প্ৰমূল্যক সগৌৰৱে ধৰি ৰখাৰ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈ আছে। এই অধ্যায়ত অৱশ্যে ভাৰতবৰ্ষৰ অতীত বা বৰ্তমানৰ গৌৰৱপূৰ্ণ তথা জটিল ইতিহাসৰ বিস্তৃত বিৱৰণ দাঙি ধৰাতো সম্ভৱ নহ'ব পাৰে।

যি কি নহওক এই অধ্যায়ত ভাৰতীয় গণতন্ত্ৰৰ মূল অংশৰ এক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। প্ৰথমতে আমি ভাৰতীয় গণতন্ত্ৰৰ মূল ভেটিৰূপে চিহ্নিত কৰা ভাৰতীয় সংবিধানৰ ওপৰত এক আলোকপাত কৰিম। বিশেষকৈ সংবিধানখনৰ প্ৰধান নীতিবোৰ আৰু ইয়াক প্ৰস্তুত কৰোতে উদ্ভৱ হোৱা বাকবিতণ্ডাত যিবোৰ মনোভাৱ প্ৰতিফলিত হৈছিল সেইবোৰৰ অংশবিশেষ টুকুৰা সন্নিবিষ্ট কৰি ৰাখিবলৈ প্ৰয়াস কৰা হৈছে। দ্বিতীয়তে, তৃণমূল পৰ্যায়ত কাৰ্যৰত গণতান্ত্ৰিক ব্যৱস্থা অৰ্থাৎ পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিষয়েও দৃষ্টিপাত কৰিম।

উপৰোক্ত দুয়োটা আলোচনাৰ জৰিয়তে তোমালোকে দেখিবলৈ পাবা যে জনতাৰ ভিন্ ভিন্ গোটসমূহে কেনেদৰে ভিন্ ভিন্ উদেশ্য বা স্বাৰ্থক প্ৰতিযোগিতাৰ জৰিয়তে প্ৰকাশ কৰে। কেতিয়াবা এনেধৰণৰ গোটবোৰ কোনো কোনো ৰাজনৈতিক দলৰূপেও আত্মপ্ৰকাশ কৰে। কাৰ্যত গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে এইবোৰ খুবেই প্ৰয়োজনীয় বুলি ভবা হয়। এই অধ্যায়ৰ তৃতীয় পৰ্যায়ত আলোচনাৰ বাবে কেইবাটাও বিষয় লোৱা হৈছে। বিভিন্ন

প্ৰতিযোগীমনোভাৱাপন্ন দলীয় স্বাৰ্থবোৰে কেনেকৈ কাৰ্যকলাপত অৱতীৰ্ণ হয়, স্বাৰ্থজড়িত গোট বা সমূহ (interest group) আৰু ৰাজনৈতিক দল এই বিশেষ শব্দাংশবোৰে কি অৰ্থ বহন কৰে আৰু গণতান্ত্ৰিক ব্যৱস্থাৰে আগবঢ়া আমাৰ ভাৰতবৰ্ষত এইবোৰৰ ভূমিকাৰ সম্পৰ্কেও কিছু বিৱৰণ ইয়াত দাঙি ধৰা হ'ব।

## ৩.১ ভাৰতীয় সংবিধান (The Indian Constitution)

### ভাৰতীয় গণতন্ত্ৰৰ গূঢ়াৰ্থ (The Core Values of Indian Democracy)

আধুনিক ভাৰতবৰ্ষ হৈছে বহু বৈশিষ্ট্যৰে ভৰা এখন দেশ। ঔপনিৱেশিক শাসনৰ পৰা আৰম্ভ কৰি আধুনিক যুগলৈকে ভাৰতত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ যি সুদীৰ্ঘ ইতিহাস আছে তাৰ বিষয়ে আমি প্ৰথমতে আলোচনা কৰাতো উচিত হব। বৃটিছ ঔপনিৱেশিকতাবাদে ভাৰতলৈ বিভিন্ন দিশত সংৰচনাত্মক আৰু সাংস্কৃতিক পৰিবৰ্তন কেনেদৰে আনিলে সেই বিষয়ে তোমালোকে ইতিমধ্যে পঢ়ি আহিছা। এইবোৰৰ ভিতৰৰে কিছুমান পৰিবৰ্তন আমাৰ দেশলৈ অপ্ৰত্যাশিতভাৱেই আহিছিল। ইংৰাজসকলে কিন্তু এই পৰিবৰ্তনবোৰ কেতিয়াও আশা কৰা নাছিল। উদাহৰণস্বৰূপে তেওঁলোকে আমাৰ দেশত পশ্চিমীয়া শিক্ষা প্ৰবৰ্তন কৰাৰ উদেশ্য আছিল পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হৈ ভাৰতত একশ্ৰেণীৰ মধ্যবিত্তলোকৰ সৃষ্টি হওক, যি সকলৰ সহায় সহযোগিতাত তেওঁলোকৰ ঔপনিৱেশিক শাসন চলাই নিয়াত সুবিধা হব। ঠিক সেইদৰেতেওঁলোকে আশা কৰাৰ দৰে একশ্ৰেণী লোকৰ সৃষ্টিও হৈছিল। অৱশ্যে তেওঁলোকে বৃটিছ শাসনক সহায় কৰাৰ উপৰিও একে সময়তে পশ্চিমীয়া গণতন্ত্ৰৰ মুক্ত আদৰ্শ, সামাজিক ন্যায়চিন্তা আৰু জাতিয়তাবাদী চেতনাৰ আদৰ্শৰে উদ্বুদ্ধ হৈ ঔপনিবেশিক শাসনক প্ৰত্যাহ্বান জনাবলৈও সিদ্ধহস্ত হৈ পৰিল।

এই কথাটোৱে কিন্তু সম্পূৰ্ণৰূপে এনেমত প্ৰতিপন্ন নকৰে যে গণতান্ত্ৰিক প্ৰমূল্য আৰু সংস্থাবোৰ কেৱল পশ্চিমীয়া আদৰ্শইহে জন্ম দিছিল। আমাৰ প্ৰাচীন মহাকাব্যসমূহত, সমগ্ৰ দেশৰ ইমূৰৰ পৰা সিমূৰলৈকে বৈচিত্ৰতাৰে ভৰপূৰ হৈ থকা লোককথাবোৰত বহু অৰ্থপূৰ্ণ সংলাপ, আলোচনা বিলোচনা তথা বিপৰীত প্ৰতিবিপৰীত বৰ্ণনা অনেক থূপ খাই আছে। যিকোনো লোককথা, লোকগীত, সাঁথৰ অথবা মহাকাব্যসমূহত সন্নিৱিষ্ট হৈ থকা আখ্যান

এটাৰ কথাকে ভাৱাচোন! এইবোৰে কেনেকৈ বিভিন্ন ভাৱৰ উন্মেষ ঘটায়। মহাভাৰতৰ তেনে এটা মাত্ৰ উদাহৰণ আমি তলত দাঙি ধৰিছো।

আমি ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় অধ্যায়ত দেখিছো যে আধুনিক ভাৰতত সামাজিক পৰিবৰ্তন মানে কেৱল পশ্চিমীয়া ভাৱাদৰ্শকে লোৱাটো নুবুজায়। ই দৰাচলতে পশ্চিমীয়া আৰু ভাৰতীয় ভাৱাদৰ্শৰ এক সংযোজন আৰু পুনঃ বিশ্লেষণ বুলি ক'ব পাৰি। সমাজ সংস্কাৰক সকলৰ ক্ষেত্ৰতো আমি এই কথাৰ উমান পাওঁ। আধুনিক সমতাৰ চিন্তাধাৰা আৰু পৌৰাণিক ন্যায় বিচাৰৰ ধ্যান-ধাৰণাৰ গতিও আমি সমানে দেখা পাওঁ। অৱশ্যে গণতন্ত্ৰৰ চিন্তাধাৰাও তাৰ ব্যতিক্ৰম নহয়। ঔপনিৱেশিক শাসনকালত ইংৰাজ শাসকসকলৰ কিছুমান অগণতান্ত্ৰিক আৰু বৈষম্যমূলক আচৰণ আছিল। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হৈ ভাৰতীয়সকলে উক্ত নীতি-নিয়মবোৰৰ বিৰোধিতা কৰিছিল। এইবোৰৰ প্ৰেৰণাৰ প্ৰধান উৎস আছিল সেইসময়ৰ ভাৰতীয় শিক্ষিত লোকসকলে আয়ত্ব কৰা পশ্চিমীয়া গণতন্ত্ৰৰ জ্ঞান আৰু স্বাধীনতাৰ সম্পৰ্কে ৰখা দৃঢ় অন্তৰ্দৃষ্টি। ভাৰতবৰ্ষত অৱশ্যে সেইসময়ত দৰিদ্ৰতা আৰু সামাজিক বৈষম্যতা অধিকমাত্ৰাত দেখা গৈছিল। এইবোৰে গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ কিদৰে বহন কৰিব তাক লৈও অনেক সময়ত প্ৰশ্নৰ অৱতাৰণাও হৈছিল। গণতন্ত্ৰ মানে কেৱল ৰাজনৈতিক স্বাধীনতাকে বুজায় জানো? অথবা ই অৰ্থনৈতিক স্বাধীনতা আৰু সামাজিক ন্যাৰ্য বিচাৰকেই প্ৰতিপন্ন কৰিব পাৰে জানো? অথবা জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোকে সম অধিকাৰ প্ৰদান কৰাকে বুজায় নেকি? যদি

**বন্ধনী ৩.১**

**অনিসন্ধিৎসু ৰূপত পৰম্পৰা (The tradition of questioning)** মহাভাৰতত ভৃগুৱে ভৰধ্বজক কৈছিল মানুহৰ মাজৰ জাতিভেদ (caste difference) বোৰ চিনাক্তকৰণ কৰিব পাৰি গাৰ বৰণত ফুটি উঠা দৈহিক গুণাগুণৰ আধাৰত। ভৰধ্বজে উত্তৰত কৈছিল--একে জাতিৰ মানুহৰ মাজতো গাৰ বৰণৰ প্ৰভেদ দেখা যায়। যদি গাৰ বৰণেই জাতিভেদ চিনাক্ত কৰিব পাৰি, তেন্তে সকলো জাতিয়েই সংমিশ্ৰিত (mixed) জাতি। কিন্তু উদ্বেগজনক প্ৰশ্নটো হৈছে-- "ইচ্ছাশক্তি, খং, ভয়-ভাবুকি, বিষাদ, উদ্বিগ্নতা, ভোক আৰু শ্ৰমৰ প্ৰৱণতা আমাৰ যদি সকলোৰে থাকে তেন্তে আমাৰেই মাজত জাতি বিভেদৰ প্ৰশ্নটো কেনেকৈ আহিব পাৰে?

*Sen 2005 : 10-11*

সেয়াই সত্য, অসমতাৰে ভৰা এখন সমাজত সমতা স্থাপন কেনেদৰে সম্ভৱ হ'ব পাৰে? ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ বহু আগতে এনেবোৰ বিষয়ৰ ওপৰত চিন্তা চৰ্চা হৈছিল। আনকি বৃটিছ ঔপনিৱেশিকতাৰ পৰা ভাৰতক মুক্ত কৰিবলৈ আন্দোলন চলি থকা সময়তো ভাৰতীয় গণতন্ত্ৰ কেনে হোৱা উচিত এই সন্দৰ্ভত ভাৰতীয়সকলৰ মনত কল্পনাৰ উদয় হৈছিল।) ১৯২৮ চনতে মতিলাল নেহেৰু আৰু অন্যান্য আঠজন কংগ্ৰেছ নেতাই ভাৰতীয়সকলৰ বাবে সংবিধানৰ খচৰা প্ৰস্তুত কৰি উলিয়াইছিল। ১৯৩১ চনত কৰাচীত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱত স্বাধীন ভাৰতৰ বাবে ভাৰতীয় সংবিধান কেনেকুৱা হব তাৰ বিষয়ে বিতং আলোচনা হৈছিল। কৰাচী অধিবেশনৰ প্ৰস্তাৱে যেন ভাৰতবৰ্ষলৈ গণতন্ত্ৰৰ এখন ভৱিষ্যত ছবি আনি দিছিল। এই প্ৰস্তাৱত জোৰ দিয়া হৈছিল যে আনুষ্ঠানিক নিৰ্বাচন অনুষ্ঠিত কৰাটোৱে গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ বহন নকৰে। বৰঞ্চ সমগ্ৰ দেশৰে সামাজিক গাঁথনিটোৰ আন্তঃযোগাযোগ থাকিলেহে এখন প্ৰকৃত গণতান্ত্ৰিক সমাজ গঢ়ি তুলিব পাৰি।

**বন্ধনী ৩.২**

ফৰাচী বিপ্লৱৰ তিনিটা মহান আদৰ্শ যেনে -- ভাতৃত্ববোধ (fraternity), স্বাধীনতা (Liberty) আৰু সমতা (equality) ৰ ভিত্তিত সমাজ ব্যৱস্থাই ইয়াৰ নতুন আধাৰ প্ৰস্তুত কৰিবলৈ আগবাঢ়িছিল। ফৰাচী বিপ্লৱক উক্ত শ্লগানৰবাবেই আদৰণি জনোৱা হয়। কিন্তু এই বিপ্লৱে সামাজিক সমতা স্থাপন কৰাত ফলৱতী হ'ব নোৱাৰিলে। আমি ৰুচ বিপ্লৱক সন্মতি জনাওঁ, কাৰণ এই বিপ্লৱে সামাজিক সমতাৰ আদৰ্শ আগবঢ়াই নিবলৈ সক্ষম হৈছিল। কিন্তু সামাজিক সমতা স্থাপনত অধিক গুৰুত্ব দিব নোৱাৰি। কাৰণ ভাতৃত্ববোধ বা স্বাধীনতাৰ আদৰ্শক জলাঞ্জলি দি সামাজিক সমতা স্থাপন হ'ব নোৱাৰে। ভাতৃত্ববোধ বা স্বাধীন মুক্তচিন্তাৰ অবিহনে সামাজিক সমতাৰ আদৰ্শ মূল্যহীন। উল্লেখযোগ্য যে ভগৱান বুদ্ধৰ শিকনিতহে এই তিনিওটা আদৰ্শৰ সহ অৱস্থান দেখা যায়।

*Ambedkar 1992*

### বন্ধনী ৩.২ ৰ অনুশীলনী

ওপৰৰ কথাখিনি ভালদৰে পঢ়া আৰু আলোচনা কৰা, দেখিবা যে পশ্চিমীয়া আৰু ভাৰতীয় বিভিন্ন বৌদ্ধিক মতাদৰ্শবোৰ কেনেকৈ চালিজাৰি চাই গণতন্ত্ৰৰ নতুন আৰ্হি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছিল।

ভাৰতীয় জাতিয়তাবাদী আন্দোলনে দেশত গণতন্ত্ৰৰ যি সপোন দেখিছিল, কৰাচী অধিবেশনৰ প্ৰস্তাৱে ইয়াক পৰিষ্কাৰকৈ অংকিত কৰি তুলিছিল। ভাৰতীয় সংবিধানত প্ৰকাশ পাব পৰা সকলোখিনি প্ৰমূল্যক উপযুক্তভাৱে ইয়াত দাঙি ধৰা হৈছিল। তোমালোকে লক্ষ্য কৰিলে দেখিবা যে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত (Preamble) কেৱল ৰাজনৈতিক ন্যাৰ্যতাকে প্ৰতিপন্ন কৰা হোৱা নাই। বৰঞ্চ সামাজিক আৰু অৰ্থনৈতিক ন্যাৰ্যতাকো উপস্থাপন কৰা হৈছে। একেদৰেই তোমালোকে এইটোও দেখিবলৈ পাবা যে সমতা (equality) মানে কেৱল ৰাজনৈতিক অধিকাৰসমূহ আদায় কৰাটোৱেই নহয়, ই জনসাধাৰণৰ স্থিতি বা প্ৰস্থিতি বা সুযোগ সুবিধাৰ সমতাকো বুজায়। এনেধৰণৰ প্ৰচেষ্টা চলোৱা আন আন সমাজসংস্কাৰক আৰু জাতীয়বাদীৰ কথা তোমালোকে চিন্তা কৰিব পাৰিৱবানে?

**বন্ধনী ৩.৩**

**পৰিশিষ্ট নং ৬**

**স্বৰাজ মানে কি বুজায়?**

কৰাচী কংগ্ৰেছৰ প্ৰস্তাৱ, ১৯৩১

কৰাচী কংগ্ৰছৰ ধাৰণামতে স্বৰাজ মানে জনসাধাৰণৰ অৰ্থনৈতিক স্বাধীনতা। কংগ্ৰেছে ঘোষণা কৰিছিল যে স্বৰাজ শাসনে কোনো সংবিধান মানি লবলৈ প্ৰস্তুত নহয় যদিহে নিম্ন উল্লেখিত চৰ্তবোৰ ইয়াত সন্নিবিষ্ট নাথাকে সেইবোৰ হৈছে --

১) বাক্ স্বাধীনতা, সংস্থা বা গোট গঠন আৰু সভা সমিতি আয়োজনৰ অধিকাৰ।
২) ধৰ্মীয় উপাসনাৰ স্বাধীনতা।
৩) সকলো সংস্কৃতি আৰু ভাষাক সুৰক্ষিত কৰা।
৪) সকলো নাগৰিক আইনৰ চকুত সমান।
৫) ধৰ্ম, জাতি বা লিংগ বিচাৰত কোনো সংস্থান, ব্যৱসায়, বাণিজ্য তথা বৃত্তিত নিয়োগৰ বাধা নাথাকিব।
৬) ৰাজহুৱা পুখুৰী বা নলী-নাদ আৰু বিদ্যালয়ত সকলোৱে সম অধিকাৰ আৰু দায়িত্ব থাকিব।

৭) বিধিসন্মত নিয়ম অনুসৰি সকলোৰে অস্ত্ৰ-শস্ত্ৰ হাতত লোৱাৰ অধিকাৰ থাকিব।

৮) প্ৰতিষ্ঠিত বিধি নিয়মৰ অবিহনে কোনো ব্যক্তিয়ে সা-সম্পত্তি অথবা স্বাধীনতাৰ পৰা বঞ্চিত হব নোৱাৰিব।

৯) ৰাষ্ট্ৰই ধৰ্মক নিৰপেক্ষতাৰে সন্মান কৰিব লাগিব।

১০) প্ৰাপ্তঃবয়স্ক ভোটাধিকাৰ থাকিব।

১১) বাধ্যতামূলক আৰু বিনামূলীয়া প্ৰাথমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থা থাকিব।

১২) কোনো বিশেষ উপাধি বা সন্মান (title) প্ৰদানৰ ব্যৱস্থা হব নোৱাৰিব।

১৩) শাৰীৰিক শাস্তি প্ৰদানৰ অৱসান ঘটোৱা।

১৪) ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকৰ এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ স্বাধীনতা থকাৰ লগতে বসবাসৰ অধিকাৰ থাকিব। লগতে সম্পত্তি আহৰণৰ স্বাধীনতা নিশ্চিত কৰা আৰু আইনৰ দ্বাৰা সকলোকে সুৰক্ষা দিব লাগিব।

১৫) ঔদ্যোগিক প্ৰতিষ্ঠানৰ শ্ৰমিক সকলক উপযুক্ত জীৱনধাৰণৰ মান নিশ্চিত কৰা, নিয়োগকৰ্তা আৰু শ্ৰমিকৰ মাজৰ বিবাদ নিস্পত্তিৰ সু-ব্যবস্থা কৰা, বৃদ্ধ আৰু ৰুগীয়া লোকক উপযুক্ত সুৰক্ষা দিয়া ইত্যাদি।

১৬) সমাজৰ সকলো প্ৰকাৰৰ শ্ৰম গোলামী বা বহতীয়া অৱস্থাৰ পৰা মুক্ত হব লাগিব।

১৭) মহিলা শ্ৰমিকৰ বাবে বিশেষ সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰা।

১৮) খনি, উদ্যোগ আদিত শিশু শ্ৰমিকক নিয়োগ কৰিব নোৱাৰিব।

১৯) খেতিয়ক আৰু শ্ৰমিক সকলৰ সংস্থা বা সংঘ (union) গঠনৰ অধিকাৰ থাকিব।

২০) মাটিৰ খাজানা আৰু দখলৰ অধিকাৰ তথা ৰাজহ আদিৰ সংস্কাৰ সাধন কৰা, অৰ্থনৈতিকভাৱে তাকৰীয়া মাটি অধিগ্ৰহণৰ বেলিকা মাটিৰ খাজানা আৰু ভাৰা ৰেহাইৰ ব্যৱস্থা কৰা। কম পৰিমাণৰ মাটিৰ গৰাকীৰ ক্ষেত্ৰত পাবলগীয়াখিনি হ্ৰাস কৰা।

২১) উত্তৰাধিকাৰীসূত্ৰে দিব লগা কৰ কাটলবোৰ ক্ৰমাগত অংশত ভাগ ভাগ কৰা।

২২) সৈনিক সকলৰ বাবে ধাৰ্য কৰা খৰচ অন্ততঃ আধালৈ হ্ৰাস কৰা।

২৩) দেশৰ কোনো চাকৰিয়ালৰ মাহিলী বেতন ৫০০ টকাৰ অতিৰিক্ত হ'ব নোৱাৰিব।

২৪) লোণ কৰ প্ৰত্যাহাৰ কৰা।

২৫) বিদেশী বস্ত্ৰৰ সৈতে প্ৰতিযোগিতাৰ বজাৰখনত থলুৱা বস্ত্ৰক ৰক্ষণাবেক্ষণ দিয়া।

২৬) উত্তেজনা জগাই তোলা পানীয় দ্ৰব্য আৰু ঔষধৰ ওপৰত সম্পূৰ্ণ বাধা আৰোপ কৰা।

২৭) ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকূলে টকা-পইচা আৰু ইয়াৰ আদান-প্ৰদান।

২৮) প্ৰধান উদ্যোগ আৰু সেৱাখণ্ড, ৰেলৰে আদি ৰাষ্ট্ৰীয়কৰণ কৰা।

২৯) কৃষিখণ্ডত ঋণ ৰেহাই দিয়া আৰু সুদখোৰ নিয়ন্ত্ৰণ কৰা।

৩০) দেশৰ নাগৰিকসকলক সৈনিক শিক্ষা দিয়া।

*কৰাচী অধিবেশনৰ প্ৰস্তাৱবোৰ সংক্ষিপ্ত ৰূপত সদস্যসকলক ছপা কৰি দিয়া হয়।*

বন্ধনী ৩.৪

**প্ৰস্তাৱনা**
**(Preanble)**

আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাৱ বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ, আৰু নিজকে অৰ্পণ কৰিছোঁ।

## বন্ধনী ৩.৩ আৰু ৩.৪-ৰ অনুশীলনী

কৰাচী অধিবেশনৰ প্ৰস্তাৱ আৰু প্ৰস্তাৱনাখিনি মনোযোগেৰে পঢ়া আৰু ইয়াত সন্নিৱিষ্ট প্ৰধান বিষয়বোৰ (issues) চিনাক্তকৰণ কৰা।

গণতন্ত্ৰই বিভিন্ন পৰ্যায়ত কাম কৰে। ভাৰতীয় সংবিধানৰ প্ৰধান দৃষ্টি (vision) ৰ বিষয়ে পাতনি মেলিয়েই আমি এই অধ্যায়টি আৰম্ভণি কৰিছিলো, কাৰণ ইয়েই আছিল ভাৰতবৰ্ষত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ মূলভেটি। তাৎপৰ্যপূৰ্ণভাৱে সংবিধান সভাত অতি গভীৰ আৰু মুক্ত আলোচনাৰ ফলশ্ৰুতিতে দেশৰ সংবিধানখন প্ৰস্তুত কৰি তোলা হৈছিল। কাজেই সংবিধানৰ অন্তৰ্দৃষ্টি আৰু ভাৱাত্মক কথাবোৰ তথা যিবোৰ প্ৰক্ৰিয়াৰে ইয়াক প্ৰস্তুত কৰা হৈছিল। সেই সকলোবোৰেই দৰাচলতে গণতান্ত্ৰিক আছিল। ইয়াৰ পিচৰ অংশখিনিত কেতবোৰ বাক্‌বিতণ্ডাৰ বিষয়ে চমুকৈ উল্লেখ কৰা হৈছে।



সংবিধান সভাত ভাষণৰত ড° সৰ্বপল্লী ৰাধাকৃষ্ণন

## সংবিধান সভাত উত্থাপিত বাক্‌বিতণ্ডাৰ এক ইতিহাস (Constituent Assembly Debate - A History)

১৯৩৯ চনত গান্ধীজীয়ে তেওঁৰ 'Harijan' নামৰ আলোচনীত 'The Only Way' নামেৰে লিখা এটা প্ৰবন্ধত কৈছিল- “সংবিধান সভাইহে এখন সংবিধান প্ৰস্তুত কৰি উলিয়াব পাৰে যিখন সংবিধান ভাৰতীয় সকলৰ ইচ্ছা আৰু আকাংক্ষাক সততে প্ৰতিনিধিত্ব কৰিব পাৰে আৰু ইয়াৰ আধাৰ হ’ব লাগিব “পুৰুষ আৰু নাৰীৰ নিৰ্ভেজাল ভোটাধিকাৰ।” ১৯৩৯ চনৰ সংবিধান সভাত প্ৰৱলভাৱে উত্থাপিত হোৱা দাবীবোৰ কেইবাবাৰো হোঁহকা-পিছলা কৰাৰ পিছত সামাজ্যবাদী বৃটেইনে অৱশেষত ১৯৪৫ চনত এই দাবীবোৰ মানি লবলৈ বাধ্য হৈছিল। সেইমতে ১৯৪৬ চনৰ জুলাই মাহত নিৰ্বাচন অনুষ্ঠিত হ’ল। ১৯৪৬ চনৰ আগষ্ট মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষজ্ঞ সমিতিয়ে সংবিধান সভাত এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱৰ যোগেদি ঘোষণা কৰা হৈছিল যে ভাৰতবৰ্ষ এখন লোকতান্ত্ৰিক ৰাষ্ট্ৰ হৈ উঠিব য’ত ভাৰতীয়সকলৰ বাবে ইতিমধ্যে ঘোষিত সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায্যতা নিশ্চিত হৈ উঠিব।

সামাজিক ন্যায্যতাৰ প্ৰসংগত যথেষ্ঠ উত্তেজনাপূৰ্ণ বাক্‌বিতণ্ডা উত্থাপিত হৈছিল যে যদিও চৰকাৰৰ কাম কাজবোৰ নিৰ্দিষ্ট কৰি দিয়া হয়, চৰকাৰখন তেনে কামবোৰৰ প্ৰতি দায়ৱদ্ধ হ’বনে। নিয়োগ নিশ্চিতকৰণৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা, ভূমি সংস্কাৰ সাধন, সম্পত্তিৰ অধিকাৰৰ পৰা পঞ্চায়ত গঠনলৈকে বিষয়বোৰে এই বাক্‌বিতণ্ডাত ঠাই পাইছিল।

বন্ধনী ৩.৫

## বাক্‌বিতণ্ডাৰ একাংশ
## Snippets from the debates

- আলোচনাত অংশ গ্ৰহণ কৰি কে.টি. ছাহে (K.T. Shah) কৈছিল যে ৰাজ্যই ইয়াৰ প্ৰতিজন সামৰ্থ্যবান আৰু শিক্ষিত নাগৰিকক উপযুক্ত কৰ্ম সংস্থান দিয়াৰ অধিকাৰ কোনো ব্যতিক্ৰম নথকাকৈ পাব লাগে আৰু পোৱা উচিত।
- বি. দাসে (B. Das) চৰকাৰৰ কাম কাজবোৰ ন্যায্য আৰু অ-ন্যায্য ৰূপত শ্ৰেণীকৰণ কৰিছিল। তেওঁ কৈছিল -- "মই ভাবো সমাজৰ পৰা দ্ৰৰিদ্ৰতা আঁতৰ কৰা আৰু প্ৰতিজন নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰা তথা সামাজিক ন্যায় প্ৰদান কৰা এখন চৰকাৰৰ প্ৰাথমিক কৰ্তব্য।" লাখ লাখ জনতাই কেতিয়াও আশা কৰিব নোৱাৰে যে কেন্দ্ৰীয় সংবিধানখনে তেওঁলোকক ক্ষুধাৰ পৰা মুক্তি দিব, সামাজিক ন্যায় নিশ্চিত হব, নিম্নতম জীৱন ধাৰণৰ পথ সূচল হ'ব তথা ৰাজহুৱা জীৱনৰ সামান্যতম স্বাস্থ্যসেৱা উপলব্ধ হ'ব।
- আম্বেদকাৰৰ উত্তৰ সমূহ আছিল এনেধৰণৰ —"প্ৰস্তুত কৰি উলিওৱা খচৰা সংবিধানখনে দেশৰ চৰকাৰখনৰ বাবে কেৱল মাত্ৰ এটা যান্ত্ৰিক আহিলাহে দিব পাৰে। ই কোনো বিশেষ ৰাজনৈতিক দলক ক্ষমতাত অধিষ্ঠিত হ'বৰ বাবে কৌশল দিয়া নাই যিটো আন আন দেশৰ আছে। শাসনৰ গাদীত কোন বহিব সেয়া দেশৰ জনসাধাৰণৰ হাতত এৰি দিয়া হৈছে। অৱশ্যে এইটো কৰা হৈছে গণতন্ত্ৰৰ উচিত পৰীক্ষাৰ বাবেই। কিন্তু যিয়েই শাসনৰ ক্ষমতা অধিকাৰ কৰিব, ইচ্ছা কৰিলে তেওঁলোকে স্বইচ্ছাৰে যিকোনো কাম কৰিব নোৱাৰিব। শাসন ক্ষমতা বলৱৎ কৰোতে বিধিগত নিয়মবোৰ, যিবোৰক নিৰ্দেশাত্মক নীতি (Directive Principles) বুলি কোৱা হয়, সেইবোৰ মানি চলিব লাগিব। তেওঁলোকে সেইবোৰ অৱজ্ঞা কৰিব নোৱাৰিব। সেই নিৰ্দেশবোৰ ভংগ কৰিলে তেওঁলোক ন্যায়ালয়ৰ আগত জবাবদিহি ন'হব পাৰে, কিন্তু নিৰ্বাচনৰ বেলিকা ভোটাৰৰ আগত প্ৰশ্নৰ মুখামুখি হ'ব। উক্ত নিৰ্দেশাত্মক নীতিবোৰৰ মহান মূল্যবোধ আছে আৰু এইবোৰ উপলব্ধি কৰিব পাৰিব যেতিয়া শক্তি প্ৰয়োগ কৰি শাসনৰ অধিকাৰ হাতত লবলৈ আগবাঢ়ি যাব।"
- ভূমি সংস্কাৰৰ প্ৰসংগত নেহেৰুৱে কৈছিল--সামাজিক শক্তিবোৰ ইমানেই প্ৰৱল যে আনকি আইনেও তাক বাধা দিয়াৰ অক্ষমতা প্ৰকাশ কৰে। সেয়েহে ভূমি সংস্কাৰ আৰু আইন এই দুয়োটাৰে পৰিবৰ্তনীয় দৃশ্যপটবোৰ ভালদৰে মন দিয়া দৰকাৰ। যদি আইন আৰু সংসদবোৰে পৰিবৰ্তনীয় প্ৰেক্ষাপটত নিজকে খাপ খুৱাব নোৱাৰে

তেতিয়া বাস্তৱ পৰিস্থিতিক দুয়োটাই নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

- জনজাতি লোকসকলৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত নেতা জয়পাল সিঙক আশ্বাস দি সংবিধান সভাৰ বিতৰ্কত অংশ লৈ নেহেৰুৱে কৈছিল--"জনজাতি সকলক সম্ভাব্য সকলো প্ৰকাৰৰ সহায় আগবঢ়োৱাত আমাৰ বিশেষ ধৰণৰ ইচ্ছা আছে, আৰু তেওঁলোকে প্ৰতিৱেশীসকলৰ পৰা সময়ে সময়ে পাই অহা নিৰ্যাতনৰ পৰা সুৰক্ষা দিয়া আৰু তেওঁলোকক উন্নতিৰ পথত আগবঢ়াই নিয়াত আমি আগ্ৰহী।"
- সংবিধান সভাই ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মকনীতি (Directive Principles of State Policy) ত সন্নিবিষ্ট কৰা বিষয়বোৰ অৱলম্বন কৰি এইবোৰ কাৰ্যকৰী কৰাত ন্যায়ালয়ৰ কোনো ক্ষমতা নাথাকিব। অৱশ্যে কিছুমান অতিৰিক্ত নিৰ্দেশনা সংবিধান সভাৰ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হ'ল। ইয়াৰ ভিতৰত কে. চানথানাম (K. Santhanam) এ আগবঢ়োৱা ধাৰাতে সংযোগ কৰা হ'ল। সেয়া হৈছে -- "ৰাজ্যই গাঁও পঞ্চায়ত ব্যৱস্থা গঠন কৰিব আৰু এই সংগঠনবোৰক ক্ষমতা (power) আৰু কৰ্তৃত্ব (authority) প্ৰদান কৰি স্থানীয় স্বায়ত্ব শাসনৰ (local sets government) বাবে শক্তিশালী গোটৰ ৰূপত গঠন কৰিব লাগিব।"
- টি. এ ৰামালিংগম চেট্টিয়াৰে (T.A.Ramalingam Chettiar) কুটিৰ শিল্পক গাঁও অঞ্চলত সমবায় খণ্ডত অন্তৰ্ভূক্ত কৰি ইয়াৰ উন্নতিৰ বাবে এটা দফা সংযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। অভিজ্ঞ সাংসদ ঠাকুৰদাস ভাৰ্গৱে (Thakurdas Bhargav) কৃষি আৰু গো-পালন (agriculture and animal husbandary) বিভাগটোত আধুনিকীকৰণ কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

### বন্ধনী ৩.৫-ৰ অনুশীলনী

ওপৰত উল্লেখ কৰা বাক্ বিতণ্ডাৰ অংশখিনি মনোযোগেৰে পঢ়া। বিভিন্ন বিষয়বোৰ কেনেদৰে উত্থাপন কৰিছিল আৰু কেনেকৈ যুক্তিতৰ্ক আগবঢ়াইছিল আলোচনা কৰা। বৰ্তমান সময়ত এইবোৰৰ প্ৰাসংগিকতা আছেনে ?

## প্ৰতিদ্বন্দ্বিতাৰ মনোভাৱ ঃ সংবিধান আৰু সামাজিক পৰিবৰ্তন
## (Competing Interests : The Constitution and Social Change)

ভাৰতৰ ভিন ভিন পৰ্যায়ৰ অনুষ্ঠানবোৰ বিশেষভাৱে মনকৰিবলগীয়া। ভাৰতীয়সকলৰ মাজত বহুধৰ্মীয় আৰু বহুসাংস্কৃতিক উপাদান আছে। তাৰ উপৰিও ইয়াত জনজাতীয় নিৰ্দিষ্ট এক সংস্কৃতি দেখিবলৈ পোৱা যায়। এইবোৰে ভাৰতীয় সমাজৰ বহুত্বতা (plurality) বহন কৰি আছে। এই ভিন্নতাই ভাৰতীয় সকলক নানান ৰূপত শ্ৰেণীকৰণ কৰিছে। মানুহৰ ধৰ্ম, সংস্কৃতি আৰু জাতি ব্যৱস্থাৰ প্ৰভাৱে প্ৰভাৱান্বিত কৰিছে গাঁও-নগৰ বিভাজন, ধনী-দুখীয়া বিভাজন তথা শিক্ষিত-অশিক্ষিত বিভাজনত। জাতি ব্যৱস্থা আৰু দৰিদ্ৰতাৰ ফলত সামাজিক স্তৰীকৰণ যিদৰে অতি দকৈ শিপাইছে ইয়াৰেই ফলশ্ৰুতিত গাঁৱৰ দুখীয়া লোকসকলৰ মাজত বিভিন্ন গোট আৰু উপগোটসমূহ দিনক দিনে বাঢ়ি গৈছে। নগৰ চহৰত বাস কৰা শ্ৰমিকসকলো সংখ্যাৰ ফালৰ পৰা অতি বিশাল। পেছাদাৰী (Professional) আৰু ব্যৱসায়ী শ্ৰেণীবোৰৰ দৰেই ঘৰুৱা ব্যৱসায়ীক শ্ৰেণীও সাংগঠনিক দিশত চকুত লগা বিধৰ। চহৰৰ পেছাদাৰী শ্ৰেণীৰ লোকসকল অতি সৰৱ। গতিকে দেখা যায় যে, ভাৰতবৰ্ষৰ সামাজিক দৃশ্যপটত প্ৰতিযোগিতাই যেন একমাত্ৰ লক্ষ্য আৰু দেশৰ সম্পদক নিজৰ নিয়ন্ত্ৰণলৈ আনিবৰ বাবে প্ৰতিটো গোট বা শ্ৰেণীয়ে অহৰহ দাবী কৰি আহিছে।

যি কি নহওক আমাৰ দেশৰ সংবিধানত কেতবোৰ মৌলিক উদ্দেশ্য সন্নিৱিষ্ট কৰা আছে। যিবোৰ সাধৰণতে ভাৰতীয় ৰাজনৈতিক দৃশ্যপটত আমিবোৰে মানি চলো। এইবোৰৰ ভিতৰত দৰিদ্ৰ আৰু ক্ষমতাহীন (merginalised) লোকসকলক সৱলীকৰণ কৰা, দৰিদ্ৰতা দূৰীকৰণ, জাতি ব্যৱস্থাৰ অন্ত পেলোৱা আৰু সমাজৰ সকলোশ্ৰেণীৰ লোকৰ মাজত সমভাৱাপন্ন মনোভাৱ আগবঢ়াই নিয়াৰ ইতিবাচক পদক্ষেপবোৰেই উল্লেখযোগ্য।

প্ৰতিযোগিতামূলক স্বাৰ্থই সকলো সময়তে শ্ৰেণী বিভাজনৰ ইংগিত বহন নকৰে। কোনো এটা কাৰখানা বন্ধ কৰি দিয়া বিষয়টোকে উদাহৰণস্বৰূপে চাব পাৰি। যেতিয়া এটা কাৰখানাৰ পৰা নিৰ্গত বিষাক্ত পদাৰ্থই পৰিৱেশ প্ৰদূষিত কৰে আৰু বাসিন্দাসকলৰ স্বাস্থ্যৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰে, তেতিয়া কাৰখানাটো বন্ধ কৰি দিয়া হয়। মানুহৰ জীৱন ৰক্ষাৰ এনেবোৰ প্ৰশ্নক

সংবিধানৰ দ্বাৰা সুৰক্ষা দিয়া হয়। কিন্তু হঠাতে উদ্ভৱ হোৱা অন্য এটা দিশ হ'ল ইয়াৰ দ্বাৰা মানুহ কৰ্মহীন হৈ পৰা অৱস্থাটো। আকৌ জীৱিকা আৰ্জনৰ প্ৰশ্নটোও জীৱন ৰক্ষাৰে প্ৰশ্ন, যিটো সংবিধানে সুৰক্ষা দিব লাগিব। গতিকে এইটো বিশেষভাৱে মন কৰিবলগীয়া যে সংবিধানখন প্ৰস্তুত কৰাৰ সময়ত সংবিধান সভাই উক্ত জটিলতা আৰু বহু বিশিষ্ট বৈশিষ্ট্যবোৰ তন্ন তন্নকৈ বিচাৰ কৰি চাইছিল আৰু সেইবাবেই সামাজিক ন্যায় (Social justice) ৰ দিশটো ৰক্ষা কৰাত মনোনিৱেশ কৰিছিল।


HOW SHARAD GOT A LIFE

As did Amit, Risha, Parag and many like them. Quotas empowered them to take on challenges. Here's their side of the story.

Madhya Pradesh tribals protest against Wildlife Protection Act

Dharna in front of Chief Minister's residence

Staff Correspondent

BHOPAL: A large number of tribals from the Bori-Satpura region of Madhya Pradesh took out a procession and sat on a dharna in front of Chief Minister Shivraj Singh Chauhan's residence here on Saturday protesting against "injustice"



Ban on employing children

Govt Order Says Domestic Helps, Eatery Workers Can't Be Below 14

THE LAW

Hazardous work: Employing children is banned in 13 occupations and 57 processes termed 'hazardous'

Penalty: Imprisonment from 3 months to 1 year or a fine of Rs 10,000 to Rs 20,000 or both

Non-hazardous:

TIMES NEWS NETWORK

New Delhi: You have exactly 70 days to find a domestic help who is above 14 in case your current help is younger. For, the government on Tuesday banned from October 10 the employment of children as domestic servants or in the hospitality sector, including dhabas, teashops, restaurants, hotels and resorts.

The penalty for flouting the law is a jail term ranging from ... ing the condition of hapless working children" from "psychological traumas and at times, even sexual abuse."

In the existing law, children are prohibited — under the Child Labour (Prohibition and Regulation) Act, 1986 — from working in hazardous industrial units like bidi-making, carpet-weaving, soap manufacture, wool-cleaning and in factories where chemical and toxic substances are manufactured. Government servants have ... the "much-delayed" move, several others are sceptical about the effectiveness of the ban, especially in light of the government's failure to monitor, much less rehabilitate, children who are working in sectors where the ban is already in force.

On top of this, there's a hum about the desirability of the new ban as some see child labour at homes or dhabas as a by-product of grinding poverty in the country. Often these children add to the ...

JUNE 14, 2006

Column

The 'merit' fallacy

India's 'merit'-obsessed discourse about affirmative action is an apology for hierarchy and privilege; it devalues competence, diversity and fairness.

Beyond the Obvious

PRAFUL BIDWAI

HRD to discuss bill on quota implementation

By OUR CORRESPONDENT

Kalam on Tuesday evening. The meeting reportedly lasted around 30 minutes.



Protest against inclusion of creamy layer of OBC in the Bill
Staff Reporter
SAVE MERIT
Ban on child labour welcome, but these kids have a question
Rati Chaudhary | TNN
Photos: Sanjay Sekhri
"Satyagrah" in support of tribals
Staff Reporter
A memorandum containing the demands sent to the President
THE HINDU • SUNDAY, DECEMBER 24, 2006
Madhya Pradesh tribals protest against Wildlife Protection Act
Dharna in front of Chief Minister's residence
Staff Correspondent
contending
interests
on Sa
Green light for
more SEZ prop
K.A. Badarinath
New Delhi, October 27
eckmate?
'Even the opposition is supporting us on this issue then what is stopping the government?'
'The government is misleading us.'
'We're facing a loss worth thousands daily. Our fight will go on.'
'We were promised relief and were told there would be an all party meet but nothing happened.'
'They can introduce an ordinance in Schedule 9 and

## সাংবিধানিক প্ৰতিমান আৰু সামাজিক ন্যায় ঃ সামাজিক ন্যায়ৰ ব্যাখ্যা (Constitutional Norms and Social Justice : Interpretation to Aid Social Justice)

এই প্ৰসংগত আমি আইন (Law) আৰু ন্যায় (Justice) ৰ মাজৰ পাৰ্থক্যখিনি বুজি পোৱাটো অতি দৰকাৰ। আইন হৈছে মূলতঃ শক্তি বা ক্ষমতা। এই শক্তি বা ক্ষমতা উচিতভাৱে প্ৰয়োগ কৰাটোৱেই হৈছে আইনৰ মূলমন্ত্ৰ। আইন সদায় আইনেই। কাৰণ আইনে শক্তি প্ৰদৰ্শনৰ দ্বাৰা কাৰোবাক বাধ্য কৰোৱাবলৈ হাতত উপায় লব পাৰে। এখন ৰাজ্যই ইয়াৰ ক্ষমতা সাব্যস্ত কৰে এই আইনৰ গইনা লৈয়েই। আনহাতে ন্যায় (Justice) ৰ গূঢ়াৰ্থ উপলব্ধি হয় ইয়াৰ নিৰপেক্ষ

**বন্ধনী ৩.৬**

- মৌলিক অধিকাৰ (Fundamenter Right) ৰ গণ্ডীত সকলো প্ৰকাৰৰ অধিকাৰৰ কথা কোৱা হৈছে যিবোৰ ইয়াৰ ভিতৰুৱা বুলি বিবেচনা কৰিব পাৰি। সংবিধানৰ ২১নং অনুচ্ছেদত "জীৱন ধাৰণৰ অধিকাৰ আৰু স্বাধীনতা"ৰ সম্পৰ্কে উল্লেখ থকা সংক্ষিপ্ত শব্দাংশবোৰে মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ সম্পৰ্কে সকলো কথাকে সামৰি লয়। এইবোৰৰ ভিতৰত জীৱন নিৰ্বাহৰ উপায়, স্বাস্থ্য, আশ্ৰয়, শিক্ষা আৰু মৰ্যাদাক অন্তৰ্ভুক্ত কৰা হৈছে। পৰ্যায়ক্ৰমে মানুহৰ 'জীৱন' সম্পৰ্কে যিবোৰ গুণাগুণৰ (attributes) কথা উল্লেখ কৰা হয়, সেইবোৰ সাধাৰণ বুলি ভবা জীৱজন্তুৰ 'জীৱনতকৈ অধিক ৰূপত গণ্য কৰা হয়। এনেধৰণৰ বিশ্লেষণবোৰে অধিক অৰ্থ বহন কৰে। কাৰাবন্দীসকলৰ দৈহিক শাস্তি আৰু বঞ্চিত সুযোগ সুবিধাৰ পৰা মুক্তকৰণৰ ব্যৱস্থা, গোলামী দাস সকলৰ পুনঃসংস্থাপনৰ ব্যৱস্থা, পৰিবেশ বিনষ্টকৰণৰ পৰা মুক্তকৰণৰ প্ৰচেষ্টা, প্ৰাথমিক স্বাস্থ্যসেৱাৰ প্ৰৱৰ্তন আৰু প্ৰাথমিক পৰ্যায়ৰ শিক্ষা আদিৰ সুবিধা ইয়াত অন্তৰ্ভুক্ত হৈছে।

  ১৯৯৩ চনত উচ্চতম ন্যায়ালয়ে (Supreme Court) অভিমত পোষণ কৰে যে অনুচ্ছেদ ১৯ (১) ক (Article 19 (I) (a) ধাৰামতে নাগৰিকৰ তথ্য জনাৰ অধিকাৰ (Right to information) বহল ভিত্তিত বাক্ স্বাধীনতাৰ অধিকাৰৰ (Right to expression) ৰে অংশ বিশেষ।
- মৌলিক অধিকাৰ সন্দৰ্ভত নিৰ্দেশাত্মক নীতিৰ অধ্যয়ন (Reading Directive Principles into the content of Fundamental Rights) ঃ- উচ্চতম ন্যায়ালয়ে ১৪ অনুচ্ছেদত অন্তৰ্ভুক্ত মৌলিক অধিকাৰত উল্লেখিত সাম্যভাৱ(Fundamental Rights to equality) ধাৰণাবোৰ যেনে –'সমান কামৰ বাবে সমান মজুৰি' (equal pay for equal work) নীতিবোৰ অধ্যয়ন কৰে। অধ্যয়নৰ অন্তত ন্যায়ালয়ে বাগিচাৰ বনুৱা, কৃষি শ্ৰমিক আৰু অন্যান্য ভালেমান বনুৱালৈ ভাট্টা আগবঢ়োৱাৰ সুবিধা দিয়ে।

বিচাৰত। কোনো বিশেষ কৰ্তৃত্ব বা ক্ষমতাসহ (authority) যিবোৰ পদানুক্ৰমৰ ব্যৱস্থা সেইবোৰৰ মাধ্যমেদি আইন কাৰ্যকৰী কৰা হয়। অন্যান্য সকলোবোৰ বিধিগত আইন আৰু কৰ্তৃত্ব উদ্ভাৱন হ'ব পৰা যিবোৰ মৌলিক মানদণ্ড(basic norms) আছে তাকেই সংবিধান বুলি স্বীকৃতি দিয়া হয়। সংবিধানখন এনে এখন নথি য'ত সমগ্ৰ ৰাষ্ট্ৰৰ মতক একেলগে ধৰি ৰখা হয়।

ভাৰতবৰ্ষৰ সংবিধানখন ভাৰতৰ বাবে মৌলিক প্ৰতিমান বা মানদণ্ড (norm)। সেইদৰে সংবিধানে বিধান দিয়া কাৰ্যপ্ৰণালীৰ আধাৰতে দেশৰ সকলো আইন প্ৰস্তুত কৰা হয় আৰু সংবিধানৰ দ্বাৰা নিৰ্দিষ্ট কৰা কৰ্তৃত্ব সমূহৰ যোগেদিয়েই আইনবোৰ কাৰ্যত ৰূপায়ণ কৰা হয়। ক্ষমতা অনুক্ৰমে বিভিন্ন পৰ্যায়ৰ ন্যায়ালয়বোৰে (যিবোৰ সংবিধানৰ গণ্ডিতে সৃষ্টি হোৱা) প্ৰয়োজন সাপেক্ষে উত্থাপিত হোৱা বিতৰ্কবোৰৰ আইনভিত্তিক ব্যাখা আগবঢ়ায়। উচ্চতম ন্যায়ালয়েই (The Supreme Court) দেশৰ সৰ্বোচ্চ ন্যায়ালয় আৰু সংবিধানৰ একেবাৰে অন্তিম পৰ্যায়ৰ ব্যাখ্যা এই ন্যায়ালয়ে দাঙি ধৰিব পাৰে।

সামাজিক ন্যায় প্ৰদানৰ বেলিকা কোনবোৰ কৰিব লাগে বা নালাগে, এই বিষয়ে নিৰ্দেশ দিবৰ বাবেই সংবিধানখন কেৱল পূৰ্বপ্ৰস্তুত প্ৰাসংগিক নথি নহয়। সামাজিক ন্যায় বিচাৰৰ অৰ্থ বহুলভিত্তিত আগবঢ়াই নিবৰ বাবে সংবিধানৰ অনেক সুৰুঙা থাকে। সময়ে সময়ে আবিৰ্ভাৱ হোৱা সামাজিক আন্দোলনবোৰে অনেক সময়ত নিজা নিজা অধিকাৰ তথা মতাদৰ্শৰ ইংগিত বহন কৰে। ন্যায়ালয় তথা কৰ্তৃত্বশীল অনুষ্ঠানবোৰে এইবোৰ উপযুক্ততাৰে ব্যাখ্যা কৰিও সমসাময়িক সামাজিক ন্যায়ৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰে। প্ৰতিযোগী মনোভাৱবোৰ সবল যুক্তি বিবেচনাৰে আগবঢ়াই নিবলৈ আইন আৰু ন্যায়ালয়েই একমাত্ৰ স্থলৰূপে বিবেচনা কৰা হয়। সমাজৰ কল্যাণমূলক কামবোৰত মনোনিবেশ কৰোতে ৰাজনৈতিক ক্ষমতাক যাতে উচিতভাৱে আগবঢ়াই নিব পাৰি তাৰ বাবে সংবিধানখনক এক গইনা ৰূপে লোৱা হয়।

তোমালোকে উপলব্ধি কৰিব পাৰিবা যে সংবিধানখনে প্ৰতিজন নাগৰিকক সহায় কৰাৰ ক্ষমতা থাকে। কাৰণ ই সামাজিক ন্যায় মৌলিক মূল্যবোধৰ ওপৰত আধাৰিত। উদাহৰণ স্বৰূপে সংবিধান সভাত কে. চানথানামে উত্থাপন কৰা সংশোধনী প্ৰস্তাৱৰ ভিত্তিতেই গাঁও পঞ্চায়তবোৰলৈ নিৰ্দেশাত্মক নীতিবোৰ (Directive Principles) আগবঢ়োৱা হৈছিল।

## ৩.২ পঞ্চায়তীৰাজ আৰু গ্ৰাম্য সামাজিক পৰিবৰ্তন ঃ এক প্ৰত্যাহ্বান (The Panchayati Raj and the Challenges of Rural Social Transformation)

### পঞ্চায়তীৰাজৰ ধাৰণা

'পঞ্চায়তীৰাজ' শব্দৰ শব্দগত অৰ্থ হৈছে পাঁচ (পঞ্চ) জন ব্যক্তিৰ দ্বাৰা শাসন কৰা চৰকাৰ। পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল ভাৱধাৰা হৈছে গাঁও বা তৃণমূল পৰ্যায়ত গণতন্ত্ৰই শক্তিশালী ৰূপত কাম কৰাৰ প্ৰতিশ্ৰুতি। আমাৰ দেশত তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰৰ আদৰ্শটো কোনো বাহিৰৰ পৰা অহা আদৰ্শ নহয়। কিন্তু সমাজ ব্যৱস্থাত এনে কিছুমান অসমতা (inequality) আছে যিবোৰৰ বাবে লিংগ বিভাজন, জাতি ব্যৱস্থা তথা শ্ৰেণী বিভাজনক কেন্দ্ৰ কৰি অনেক সময়ত গণতান্ত্ৰিক অংশ গ্ৰহণত বাধাৰ সৃষ্টি হৈ আহিছে। ইয়াৰ পিচৰ অধ্যায়টোত দেখুওৱা বাতৰি কাকতৰ প্ৰতিবেদনত

**বন্ধনী ৩.৭**

**তিনি তৰপীয়া পঞ্চায়তীৰাজ অনুষ্ঠান (The three tier system of Panchayati Raj institution)**

- পঞ্চায়ত ব্যৱস্থাৰ গাঁথনিটো ত্ৰিভুজ আকাৰৰ। ইয়াৰ ভূমি বা আধাৰ ভাগত থাকিব গাঁও সভা (gram sabha) যাক গণতান্ত্ৰিক ব্যৱস্থাৰ একক গোট বোলা হয়। এই গাঁও সভা গঠন কৰা হয় এখন গাঁৱৰ সকলো নাগৰিকৰ সমষ্টিৰে। এইখন এখন সাধাৰণ সভাৰ দৰেই য'ত এখন স্থানীয় চৰকাৰক নিৰ্বাচন কৰি এই চৰকাৰক নিৰ্দিষ্ট দায়িত্বভাৰ অৰ্পণ কৰিব। আদৰ্শৰ ফালৰপৰা চাবলৈ গলে গাঁও সভাখন হৈছে এখন মুকলি মঞ্চ য'ত গাঁৱৰ সকলো প্ৰকাৰৰ উন্নয়নমূলক কাম কাজৰ বিষয়ে মুকলিভাৱে আলোচনা কৰাৰ উপৰিও সমাজৰ দুৰ্বল শ্ৰেণীৰ লোককো সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ সুবিধা দিব পাৰে।
- সংবিধানৰ ৭৩তম সংশোধন দফা অনুযায়ী ২০ লাখতকৈ অধিক জনসংখ্যাৰ ওপৰৰ দেশৰ সকলো ৰাজ্যত তিনিতৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা থাকিব।
- উক্ত স্থানসমূহত প্ৰতি পাঁচবছৰৰ অন্তৰে অন্তৰে ইয়াৰ নিকায় সমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰাতো বাধ্যতামূলক হব।
- উক্ত নিকায়সমূহত অনুসূচিত জাতি, অনুসুচিত জনজাতিৰ বাবে আসন সংৰক্ষিত কৰাৰ উপৰিও মহিলাৰ বাবে ৩৩% তেত্ৰিশ শতাংশ আসন সংৰক্ষিত থাকিব।
- পঞ্চায়তীৰাজ ব্যৱস্থাত জিলা পৰিকল্পনা সমিতি (District Planning Committee) গঠন কৰা হ'ব আৰু ই জিলাখনৰ উন্নয়নৰ খচৰা প্ৰস্তুত কৰিব।


তোমালোকে দেখিবলৈ পাবা যে আমাৰ গাঁওবোৰত পৰম্পৰাগতভাৱে কিছুমান জাতি আধাৰিত পঞ্চায়ত (caste panchayat) ব্যৱস্থা প্ৰচলিত আছিল। এই ব্যৱস্থাবোৰ সাধাৰণতে প্ৰভাৱশালী (dominant) গোটবোৰেই প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ উপৰিও এই গোটবোৰে প্ৰায়েই ৰক্ষণশীল (conservative) মনোভাৱ পোষণ কৰি আহিছিল আৰু গোটবোৰৰ সিদ্ধান্তবোৰ গণতান্ত্ৰিক পৰম্পৰাৰ বিৰুদ্ধেই গৈছিল।

দেশৰ সংবিধানখনৰ খচৰা প্ৰস্তুত কৰোতে ইয়াত পঞ্চায়ত ব্যৱস্থাৰ কথা উল্লেখ নাছিল। সেই সন্ধিক্ষণত ভালেমান সদস্যই এই বিষয়ত তেওঁলোকৰ ক্ষোভ প্ৰকাশ কৰিছিল। ড° আম্বেদকাৰে তেওঁৰ গ্ৰাম্য জীৱনৰ অভিজ্ঞতাৰে যুক্তি উত্থাপন কৰি কৈছিল যে স্থানীয়ভাৱে সম্ভ্ৰান্ত (elites) তথা উচ্চবৰ্ণৰ লোকসকল ইমান সুৰক্ষিত যে ভাৰতীয় সমাজত স্বায়ত্ব শাসন (Local self government) ৰ ব্যৱস্থাটোৱে কাৰ্যকলাপবোৰ সমাজৰ নিপীড়িত জনতাৰ ওপৰত অহৰহ শোষণ চলোৱাৰ যন্ত্ৰহে হৈ পৰিছে। উচ্চ জাতিৰ লোকসকলে নিঃসন্দেহে এই বিষয়ত নীৰৱতাহে অৱলম্বন কৰা দেখা যায়। গান্ধীজীয়ে স্বায়ত্ব শাসনৰ ব্যৱস্থাক আদৰি লৈছিল। তেওঁৰ সপোন আছিল যে প্ৰতিখন গাঁৱেই আত্মনিৰ্ভৰশীল ৰূপত নিজৰ কাম কাজ আগবঢ়াই নিব আৰু সেইবাবেই দেশে স্বাধীনতা লাভ কৰাৰ পিচত 'গ্ৰাম স্বৰাজ' (gram-swarajya) ৰ আদৰ্শ ৰূপে কাম কৰি যাব।

যি কি নহওক ১৯৯২ চনত সংবিধানৰ ৭৩ চম সংশোধনী ধাৰামতে দেশৰ তৃণমূল পৰ্যায়ৰ গণতান্ত্ৰিক ব্যৱস্থাৰ কথা সম্পূৰ্ণভাৱে মোকলাই দেখুওৱা হয়। এই আইনৰ দ্বাৰা পঞ্চায়তীৰাজ সংস্থাক সাংবিধানিক প্ৰস্থিতি প্ৰদান কৰা হয়। কালক্ৰমত গাঁও অঞ্চলৰ স্বায়ত্ব শাসনৰ বিষয়বোৰ তথা নগৰ অঞ্চলৰ পৌৰ নিকায় সমূহত প্ৰতি পাঁচবছৰৰ অন্তৰত নিৰ্বাচন অনুষ্ঠিত কৰাতো বাধ্যবাধকতাত পৰিণত হ'ল। তাতোকৈ মনকৰিবলগীয়া দিশটো হৈছে এই নিকায় সমূহক স্থানীয় সম্পদৰ যথোচিত নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ল।

সংবিধানৰ ৭৩ আৰু ৭৪ নং সংশোধনীৰ জৰিয়তে নগৰ আৰু গাঁও অঞ্চলৰ সকলো নিকায়ৰ বাবে ইয়াৰ মুঠ আসনৰ এক তৃতীয়ংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা





New deal for panchayat workers

Staff Correspondent

BHOPAL: Panchayat Karmis (workers) associated with over 23,000 panchayats across Madhya Pradesh will now be covered under a special group insurance package. Under the scheme, the workers would be covered for serious ailments, accidents and death. The Group Insurance Scheme would be introduced in all the panchayats of the State on April 1, 2007. At present there are about 18,000 workers in 23,051 panchayats across the State.

Under this scheme, there is provision for financial assistance of Rs.1 lakh to the family of a panchayat karmi in case of death while in service. Besides, an assistance of Rs.50,000 would be given to a panchayat karmi in the case of permanent disability or loss of both eyes, two body organs, one eye or one body organ due to some accident. Similarly, an assistance of Rs.25,000 would be given for the loss of one eye or one body part or any serious ailment.

হৈছে। ইয়াৰে ১৭ শতাংশ আসন অনুসূচিত জাতি আৰু জনজাতি মহিলাৰ বাবে সংৰক্ষিত হ'ব। সংশোধনীৰ এই ব্যৱস্থাই দেশৰ মহিলাসকলক নিৰ্বাচিত নিকায় সমূহলৈ অহাৰ সুযোগ দিয়াৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাসকলৰ অংশগ্ৰহণৰ পথো সুগম কৰি তোলে। গতিকে দেখা গৈছে যে স্থানীয় নিকায় সমূহ যেনে-গাঁও সভা, গাঁও পঞ্চায়ত, পৌৰ নিকায়, মহানগৰ নিগম তথা জিলাৰ অন্যান্য নিকায়বোৰত মহিলাৰ বাবে মুঠ আসনৰ তেত্ৰিশ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ল। সংবিধানৰ ৭৩ তম সংশোধনীৰ পাচত ১৯৯৩-৯৪ চনত অনুষ্ঠিত হোৱা কেৱল এটা নিৰ্বাচনেই দেশৰ ৮ লাখ মহিলাক ৰাজনৈতিক প্ৰক্ৰিয়াত অন্তৰ্ভূক্ত কৰিলে। মহিলাসকলে ভোটদানৰ অধিকাৰ লাভ কৰাৰ ক্ষেত্ৰত এইটো এটা বৃহৎ পদক্ষেপৰূপে অভিহিত কৰিব পাৰি। সংবিধান সংশোধনীৰ দ্বাৰা ১৯৯২-৯৩ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ দেশৰ স্বায়ত্ব শাসনৰ ব্যৱস্থাটো তিনি তৰপীয়া কৰি প্ৰৱৰ্তন কৰা হৈছে।

### পঞ্চায়তৰ ক্ষমতা আৰু দায়িত্ব

### Power and Responsibilities of Panchayats

সংবিধানত উল্লেখ থকামতে দেশৰ পঞ্চায়ত ব্যৱস্থাক স্বায়ত্ব শাসনৰ সংস্থাৰূপে কাম কৰি যাবলৈ ক্ষমতা আৰু কৰ্তৃত্ব দিব লাগে। গতিকে সকলো ৰাজ্য চৰকাৰে ইয়াৰ স্থানীয় প্ৰতিনিধিমূলক সংস্থাবোৰক অধিক কাৰ্যক্ষম কৰি তোলা অধিক জৰুৰী।

নিম্ন উল্লেখিত ক্ষমতা আৰু দায়িত্ব সমূহ পঞ্চায়তক অৰ্পণ কৰা হৈছে।

- অৰ্থনৈতিক উন্নয়নৰ বাবে পৰিকল্পনা আৰু আঁচনি প্ৰস্তুত কৰা।
- সামাজিক ন্যায় ব্যৱস্থাক আগুৱাই নিবলৈ খৰতকীয়া আঁচনি গ্ৰহণ কৰা।

- ◆ যথাযোগ্য সকলো প্ৰকাৰৰ কৰ কাটল, পথ বা দলং সম্পৰ্কীয় কৰ অথবা মাচুল আদি সংগ্ৰহ ক ৰা।
- ◆ চৰকাৰৰদ্বাৰা ন্যস্ত কৰা দায়িত্ববোৰ বিশেষকৈ স্থানীয় কৰ্তৃপক্ষলৈ আগবঢ়োৱা বিত্তীয় লেনদেনত সহায় আগবঢ়োৱা।

চৰকাৰৰ সামাজিক কল্যাণমূলক আঁচনিৰ অন্তৰ্গত ভালেমান কাম পঞ্চায়তে চোৱা চিতা কৰিব লাগে। সেইবোৰ হৈছে শ্মশান আৰু কবৰস্থানবোৰৰ যত্ন লোৱা, জন্ম মৃত্যুৰ হিচাপ ৰখা, শিশু কল্যাণ আৰু গৰ্ভৱতী মাতৃৰ বাবে কেন্দ্ৰ স্থাপন কৰা, গৰু ম'হৰ ফাটেক নিয়ন্ত্ৰণ কৰা, জন্ম নিয়ন্ত্ৰণৰ প্ৰচাৰ কাৰ্য হাতত লোৱা আৰু কৃষি কৰ্মক উদগণি দিয়া বা আগবঢ়াই নিয়া আদি।


Panchayati Raj Ministry prepares software to aid transfer of funds

পঞ্চায়তবোৰে পালন কৰিবলগীয়া উন্নয়নমূলক কামবোৰ হৈছে - ৰাষ্টা, ৰাজহুৱা ঘৰ, নলীনাদ, পুখুৰী আৰু বিদ্যালয় গৃহ  নিৰ্মাণ কৰা। কুটিৰ শিল্পবোৰক আগবঢ়াই নিয়া তথা ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাবোৰ চোৱা-চিতা কৰা দায়িত্ববোৰও পঞ্চায়তৰ দায়িত্বৰ ভিতৰতে ধৰা হৈছে। সংহত গ্ৰাম্য উন্নয়ন আঁচনি (Integrated Child Development Scheme, ICDS) ৰ নিচিনা কামবোৰৰ তদাৰক পঞ্চায়তৰ সদস্যসকলে কৰিব লাগে।

পঞ্চায়তে আহৰণ কৰিবলগীয়া আয়ৰ নিৰ্দিষ্ট কিছুমান উৎস আছে। সম্পত্তি কৰ, পেছা বা বৃত্তি (Profession) আদিত ধাৰ্য কৰা কৰ, গৰু-ম'হৰ ওপৰত  কৰ, যান-বাহনৰ কৰ, ঘৰ ভাৰা আৰু মাটিৰ খাজনাত ধাৰ্য কৰা উপকৰ আদিৰ পৰা পঞ্চায়তে নিয়মীয়াকৈ আয় সংগ্ৰহ কৰে। জিলা পৰিষদৰ জৰিয়তে পোৱা অনুদানৰ পৰাও পঞ্চায়তবোৰৰ আৰ্থিক দিশ টনকিয়াল

হৈ উঠে। পঞ্চায়ত কাৰ্য্যালয়বোৰে তেওঁলোকে লাভ কৰা অনুদান আৰু অনুদান অনুসাৰে ইয়াৰ ব্যৱহাৰৰ সম্পূৰ্ণ তালিকা অংকিত ফলক কাৰ্যালয়ৰ বাহিৰত আঁৰি ৰখাতো বাধ্যতামূলক হিচাপে ধৰা হয়। এইটো এই কাৰণেই কৰা হয় , যাতে তৃণমূল পৰ্যায়ৰ প্ৰতিজন ব্যক্তিয়েই পঞ্চায়তৰ কামকাজৰ বিষয়ে সকলো 'তথ্য জনাৰ অধিকাৰ'(right to information) লাভ কৰিব পাৰে। পঞ্চায়তলৈ আৱন্টন দিয়া সকলো পুঁজি সতৰ্কতাৰে পৰীক্ষা-নিৰীক্ষা কৰাৰ অধিকাৰ প্ৰত্যেক ব্যক্তিৰে থাকে। গাঁৱৰ লোকসকলৰ কল্যাণ আৰু প্ৰগতিমূলক কামবোৰৰ বিষয়ে যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় সেইবোৰৰ বিষয়ে প্ৰশ্ন অৱতাৰণা কৰাৰ অধিকাৰো থাকে।

কিছুমান ৰাজ্যত ন্যায় পঞ্চায়ত (Nyaya Panchayat) গঠন কৰা হৈছে। এই পঞ্চায়তবোৰে কিছুমান সৰু - সুৰা, দেৱানী (civil) তথা অপৰাধ সংক্ৰান্ত (criminal) গোচৰৰ শুনানী লোৱাৰ ক্ষমতা থাকে। এই পঞ্চায়তবোৰে দোষীক জৰিমনা বিহিব পাৰে, অৱশ্যে দণ্ড বিধান দিয়াৰ অধিকাৰ নাথাকে। বহুসময়ত দেখা যায়, গোচৰৰ উত্থাপন কৰা দলবোৰৰ মাজত চুক্তিবন্ধন কৰোৱা বা সমিল-মিলৰ মনোভাৱ আনি দিয়াৰ কৃতকাৰ্যতা পঞ্চায়তবোৰে ল'ব পাৰিছে। বিশেষকৈ সমাজৰ মহিলাৰ ওপৰত যৌতুক বা অন্যান্য তেনে কোনো বিষয়ৰ বাবে দায়ী পুৰুষসকলৰ ওপৰতো এই পঞ্চায়তবোৰে সৰলভাৱে কাম কৰিছে।

## জনজাতি অধ্যুষিত এলেকাত পঞ্চায়তীৰাজ (Panchayati Raj in Tribal areas)

**বন্ধনী ৩.৮**

এগৰাকী দলিত মহিলা ক'লাৱতীয়ে নিৰ্বাচনত নামিবৰ বাবে উদ্বিগ্ন হৈ আছিল। তেওঁ পঞ্চায়তৰ এগৰাকী সদস্যা হোৱাৰ পাছৰেপৰা অনুভৱ কৰিছিল যে তেওঁৰ আত্মবিশ্বাস আগতকৈ বাঢ়িছে আৰু সমাজত সন্মানীয় ব্যক্তিৰূপে নিজকে আগবঢ়াই নিবলৈ সক্ষম হৈছে বিশেষকৈ "তেওঁৰ এটা নাম আছে"। পঞ্চায়তৰ সদস্যা হোৱাৰ আগলৈকে তেওঁক "ৰামৰ মাক" বা "হীৰালালৰ ঘৈণীয়েক" বুলিহে মানুহে জানিছিল। তেওঁ পঞ্চায়তৰ প্ৰধান (pradhan) পদবীটোৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি যদি নিৰ্বাচনত পৰাজিত হয়, তেওঁৰ ভয় হয় জানোচা তাৰ বাবে তেওঁৰ বন্ধু-বান্ধবীসকল লজ্জিত হয়।

*Source : গ্ৰাম্য মহিলাৰ সৱলীকৰণ বিষয়ত অধ্যয়ন কৰা "মহিলা সমীক্ষা")Mahila Samakhya) নামৰ বেচৰকাৰী সংস্থাৰ (NGO) দ্বাৰা বাণীবদ্ধৰূপৰ অংশ বিশেষ।*

বন্ধনী ৩.৯

### ভান পঞ্চায়ত (Van Panchayat)

উত্তৰাখণ্ডত মহিলা সকলেই বেছিভাগ কাম কৰিব লগা হয় যিহেতু পুৰুষসকল প্ৰতিৰক্ষা বিভাগৰ চাকৰিত ভৰ্ত্তি হৈ বহু দূৰলৈ আঁতৰি যাব লগা হয়। গাঁৱৰ বেছিভাগ লোকেই এতিয়াও ৰন্ধনৰ বাবে জুইৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে। তোমালোকে নিশ্চয় এইটো জানা যে পাহাৰ অঞ্চলত বনাঞ্চল ধ্বংস এটা জলন্ত সমস্যাৰূপে চিহ্নিত হৈছে। মহিলাসকলে তেওঁলোকৰ ইন্ধনৰ সামগ্ৰী খৰি আদিকে কৰি পোহনীয়া জন্তুৰ বাবে খাদ্য সামগ্ৰী সংগ্ৰহ কৰিবৰ বাবে বহু দূৰলৈ যাব লগা হয়। এই সমস্যাখিনি আঁতৰাবৰ বাবে মহিলাসকলে 'ভান পঞ্চায়ত' (Van Panchayat) গঠন কৰে। ভান পঞ্চায়তৰ সদস্যসকলে নাৰ্চাৰীৰ কাম হাতত লয় আৰু গছ পুলিবোৰ পাহাৰৰ হেলনীয়া অঞ্চলত ৰোপণ কৰে। অবৈধভাৱে যাতে কোনোৱে গছ-গছনি কাটি ধ্বংস কৰিব নোৱাৰে, ভান পঞ্চায়তৰ সদস্যসকলে তাৰ প্ৰতিও সতৰ্কতা অবলম্বন কৰে। "চিপকো আন্দোলন" (Chipko movement) নামৰ জাগৰণৰ সূত্ৰপাত এই অঞ্চলতেই প্ৰথম আৰম্ভ হৈছিল। য'ত মহিলাসকলে গছবিলাক কোনেও কাটিব নোৱাৰাকৈ সাৱটি ধৰি ৰাখিছিল।

বন্ধনী ৩.১০

### অশিক্ষিত মহিলাৰ বাবে পঞ্চায়ত প্ৰশিক্ষণ (Panchayati Raj Training for Illiterate Women)

পঞ্চায়তী ৰাজ ব্যৱস্থাৰ বিষয়ে নতুন উদ্ভাৱনমূলক প্ৰশিক্ষণ -- সুখীপুৰ আৰু ধুকীপুৰ নামৰ দুখন গাঁৱৰ কাহিনী এইয়া। ধুকীপুৰ নামৰ গাঁওখনৰ প্ৰধান গৰাকী (বিমলা) এগৰাকী দুৰ্নীতি পৰায়ণ মহিলা। বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবদ পঞ্চায়তৰ পৰা লাভ কৰা ধনেৰে তেওঁ নিজ পৰিয়ালৰ বাবেহে ঘৰ সাজিলে। গাঁৱৰ বাকী লোক সকল অতি দুখীয়া আৰু এইক্ষেত্ৰত



অসুখী। আনহাতে সুখীপুৰ গাঁৱৰ বাসিন্দাসকল সন্তোষেৰে বাস কৰে। কাৰণ তেওঁলোকৰ প্ৰধান গৰাকীয়ে (নাজমা) গাঁও উন্নয়নৰ বাবদ পোৱা ধনৰাশি গাঁওখনৰ উন্নতিৰ বাবেই খৰচ কৰি ইয়াৰ আন্তঃগাঁথনিক অধিক উন্নতমুখী কৰি তোলে। ইয়াৰ প্ৰাথমিক

স্বাস্থ্যকেন্দ্ৰটো পকীৰে নিৰ্মিত আৰু বাছেৰে সহজে গৈ পাব পৰা সুন্দৰ ৰাস্তাৰ যোগাযোগ আছে। এই স্বাস্থ্যকেন্দ্ৰটোৰে নিয়মিতৰূপে ইয়াৰ কাম-কাজ কৰি আছে। কাষৰ ছবিখন চোৱা এই ছবিখনত চৰকাৰী কাৰ্যকলাপত কেনেকৈ অংশগ্ৰহণ কৰিব পাৰি তাৰেই চানেকি লোকগীতৰ সহায়ত অংকন কৰা হৈছে। এইবোৰ নতুনকৈ উদ্ভাৱন কৰা প্ৰণালী।

সমাজৰ অসংখ্য অনাখৰী মহিলাক এইবোৰে সজাগতা বৃদ্ধি কৰাত সহায় কৰে। কেৱল ভোটদান কৰা, নিৰ্বাচনত উঠা বা নিৰ্বাচনত জয়লাভ কৰাটোৱেই যে একমাত্ৰ দায়িত্ব নহয়, তাৰ বিষয়ে ৰাইজলৈ সজাগতাৰ বাতৰি কঢ়িয়াই অনাত এনেধৰণৰ প্ৰচাৰবোৰে সক্ৰিয় ভূমিকা পালন কৰে। এই কথা বিশেষভাৱে জনা দৰকাৰ যে এজন ব্যক্তিক কিয় ভোটদান কৰা হয়, কোনবোৰ গুণাগুণৰ বাবে তেওঁক ভোট দিয়া হয় বা তেওঁ কেনেধৰণৰ কাম কৰিছে। লোকগীতৰ মাধ্যমেদি প্ৰকাশ কৰা জনপ্ৰিয় এই কৌশলবোৰৰ সহায়ত সংহতিৰ মূল্যবোধকো সোঁৱৰাই দিয়া হয়।

(গ্ৰাম্য মহিলাৰ সবলীকৰণৰ বিষয়ে মহিলা সমীক্ষা (Mohila Samakya) নামৰ এটা বেচৰকাৰী সংগঠনে (NGO) আয়োজন কৰা এটা প্ৰশিক্ষণ শিবিৰৰ অংশ বিশেষ।)

ঐতিহ্যএতিয়াও দেখিবলৈ পোৱা যায়। মেঘালয় ৰাজ্যৰ উদাহৰণবোৰ আমি দৃষ্টান্তমূলকভাৱে চাব পাৰো। ৰাজ্যৰ তিনিটা প্ৰধান নৃ-গোষ্ঠীয় সম্প্ৰদায় - খাচিয়া, জয়ন্তীয়া আৰু গাৰোসকলৰ মাজত তেওঁলোকৰ পৰম্পৰাগত ৰাজনৈতিক সংস্থাবোৰ শ শ বছৰ ধৰি বৰ্তি আছে। মেঘালয়ত এনেধৰণৰ ৰাজনৈতিক সংস্থাবোৰ যথেষ্ঠ সুন্দৰভাৱে চলি আছে আৰু কেইবাটাও তৰপত যেনে -- গাঁও, গোত্ৰ তথা ৰাজ্যিক পৰ্যায়ত কাৰ্যক্ষম হৈ কাম কৰি আছে। উদাহৰণ স্বৰূপে, পৰম্পৰাগত ৰাজনৈতিক ব্যৱস্থামতে খাচিয়াসকলৰ মাজত গোত্ৰ (clan) পৰিষদ থাকে। যাক 'দৰবাৰ কুৰ' (Durbar kur) নামেৰে জনা যায়। ঠিক সেইদৰে সেই পৰিষদৰ সভাপতি পদত অধিষ্ঠিতহয় সেই গোত্ৰৰ মূৰব্বীজন, তৃণমূল পৰ্যায়ত এই ৰাজনৈতিক সংস্থাবোৰ যদিও অতি প্ৰাচীন কালৰে পৰা চলি আহিছে, মেঘালয়ৰ বহু জনজাতীয় অঞ্চল সংবিধানৰ ৭৩ তম সংশোধনী ব্যৱস্থাৰ পৰা এতিয়াও আঁতৰত আছে ইয়াৰ কাৰণ হৈছে বিভাগীয় নীতি নিৰ্ধাৰণকাৰীসকলে জনজাতীয় এলেকাত যুগ যুগ ধৰি চলি অহা জনজাতীয় সংস্থাবোৰত হস্তক্ষেপ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে।

যি কি নহওক এগৰাকী সমাজতত্ত্ববিদ টিপলুট নংব্ৰি (Tiplut Nongbri) য়ে মন্তব্য কৰিছে যে--গঠন প্ৰক্ৰিয়া আৰু কাৰ্যকলাপৰ (structure and function) দিশত ক'বলৈ হ'লে জনজাতি সমাজৰ সংস্থাবোৰ গণতান্ত্ৰিক ৰূপত নিজে আত্মপ্ৰকাশ কৰাৰ প্ৰয়োজন নাই। ভোৰিআ কমিটি(Bhuria Committee) ৰ প্ৰতিবেদনৰ ওপৰত মন্তব্য কৰি নংব্ৰিয়ে কৈছে জনজাতি সমাজৰ পৰম্পৰাগত সংস্থাবোৰৰ বিষয়ে কমিটিৰ মনোনিৱেশ গ্ৰহণযোগ্য বুলি বিবেচনা কৰিব পাৰি। কিন্তু কমিটিয়ে বিষয়টোৰ জটিলতা ভালদৰে উপলব্ধি কৰিব পৰা নাই। কাৰণ জনজাতীয় সমাজ ব্যৱস্থা সমমনোভাৱাপন্ন মূল্যবোধেৰে গঢ় লৈ উঠিলেও এনেবোৰ সমাজত সামাজিক স্তৰীকৰণৰ (Social stratification) উপাদান একেবাৰে নোহোৱা নহয়। নাৰীৰ প্ৰতি পোষণ কৰা অসহিষ্ণুতাৰ মনোভাৱক মুকলিভাৱে বিদ্ৰোহ কৰাটো জনজাতীয় ৰাজনৈতিক সংস্থাবোৰৰ এটা বিশেষ গুণৰূপে সদায় স্বীকৃতি পাই আহিছে। কিন্তু সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ ধাৰাই ইয়াৰ ব্যতিক্ৰমৰ উদাহৰণ দাঙি ধৰিছে। যাৰ পৰিণতিত কোনটো পৌৰাণিক বা কোনটো পৌৰাণিক নহয় এই বিষয়ে ধাৰণা লোৱাতো অতি জটিল বিষয় (নংব্ৰি ২০০৩ ঃ ২২০)। এই প্ৰসঙ্গটোৰে তোমালোকক পুনৰ প্ৰথম আৰু দ্বিতীয় অধ্যয়লৈ ঘূৰাই লৈ যাব য'ত আমি পৰম্পৰা ব্যৱস্থাৰ পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰি আহিছো।

### গণতন্ত্ৰকৰণ আৰু অসমতা (Democratisation and Inequality)

তোমালোকৰ এইটো বুজিবলৈ অসুবিধা নহ'ব যে সমাজত গণতন্ত্ৰকৰণ এটা নিচেই সহজ প্ৰক্ৰিয়া নহয়। বিশেষকৈ যিবোৰ সমাজ ব্যৱস্থাত জাতি, সম্প্ৰদায় অথবা লিংগভিত্তিক অসমতাবোৰ যুগ যুগ ধৰি বৰ্তি আছে। আগৰ পাঠ্য পুথিত তোমালোকে অৱশ্যে সামাজিক অসমতাৰ অন্য কিছুমান প্ৰকাৰৰ বিষয়ে পাই আহিছা। ভাৰতীয় গ্ৰাম্য সমাজত এই অসমতাৰ বিষয়ে আলোচনা কৰা এক সম্পূৰ্ণ বিৱৰণ তোমালোকে চতুৰ্থ অধ্যয়ত পাবা। এনে সামাজিক অসমতা আৰু অগণতান্ত্ৰিক ব্যৱস্থা প্ৰচলনৰ বাবেই সমাজৰ কিছুমান গোট, সম্প্ৰদায় বা জাতিৰ লোকক কোনো সভা সমিতিৰ সদস্যভুক্ত কৰা নহয়। নতুবা ৰাজহুৱা সভা সমিতি বা কাম-কাজত অংশ গ্ৰহণৰ সুবিধাও দিয়া নহয়। গাঁও সভাৰ সদস্যসকলকো কেতিয়াবা কোনো মুষ্টিমেয় অথচ প্ৰভাৱশালী মাটিৰ মালিকসকলে নিয়ন্ত্ৰণ কৰি ৰাখে। দেখা যায় এই প্ৰভাৱশালী লোকসকল হয় উচ্চবংশজাত লোক নতুবা ধনী খেতিয়ক শ্ৰেণীৰ লোক। গ্ৰাম্য সমাজৰ প্ৰগতি বিষয়ক কাৰ্যবোৰৰ সিদ্ধান্ত লোৱা, পুঁজিৰ বিতৰণ আদি সিদ্ধান্তবোৰ এইসকললোকৰ হাতত থকাৰ বিপৰীতে বৃহৎ সংখ্যক গ্ৰাম্যবাসীয়ে নীৰৱ দৰ্শক হৈ চাই থাকিব লগা হয়।

তৃণমূল পৰ্যায়ত লাভ কৰা বিভিন্ন অভিজ্ঞতা সম্বলিত কেইটিমান বৰ্ণনা তলত বন্ধনীৰ

ভিতৰত দেখুওৱা হৈছে। ইয়াৰে এটি বৰ্ণনাত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ থকা পঞ্চায়তবোৰক কেনেকৈ কামত নিয়োগ কৰা হয় তাক বৰ্ণনা কৰা হৈছে। আন এটি টোকাত দেখুওৱা হৈছে যে কেনেকৈ নতুন পঞ্চায়ত ব্যৱস্থাই কিছুমান ক্ষেত্ৰত আমূল পৰিবৰ্তন সাধন কৰিব পাৰিছে। আকৌ অন্য এটা বিৱৰণত এইটোও দেখুওৱা হৈছে যে গণতান্ত্ৰিক ব্যৱস্থাবোৰে বহু সময়ত সামাজিক পৰিবৰ্তন সাধন কৰা বা বিত্তীয় বিষয়ত সফলতা লাভ কৰিব নোৱাৰে, কাৰণ স্বাৰ্থজড়িত মহলে এইবোৰত প্ৰায়ে বাধা জন্মাই থাকে।

**বন্ধনী ৩.১১**

### সন্মানৰ প্ৰতি বাধ্যতা Bound by Honour

জাতি পঞ্চায়তবোৰে গাঁওবাসীসকলৰ নৈতিক জীৱনৰ ওপৰত অভিভাৱকত্ব লোৱাত উঠিপৰি লাগিছে। ২০০৪ চনৰ অক্টোবৰ মাহৰ কথা ঝাঝাৰ (Jhajjar) জিলাৰ আচন্দ গাঁৱৰ (Asanda) ৰথিখাপ(Rathi Khap) পঞ্চায়তে সেই গাঁৱৰে চোনিয়াক নিৰ্দেশ দিলে যে এবছৰৰ আগতে তেওঁ বিবাহ পাশত আৱদ্ধ হোৱা ৰামপালৰ লগত বিবাহ বিচ্ছেদ কৰিব লাগে। বিবাহ বিচ্ছেদৰ পিছত তেওঁলোক ককাই-ভনীৰ দৰে সেই গাঁৱতে থাকিব পাৰিব। দম্পতী হালৰ অপৰাধটো আছিল তেওঁলোক দুয়ো একেটা গোত্ৰৰে ব্যক্তি (যদিও হিন্দু বিবাহ আইনে স্বীকৃতি দিছে)। অৱশেষত উচ্চ ন্যায়ালয় হাৰিয়ানা চৰকাৰলৈ নিৰ্দেশ জাৰি কৰিলে যে দম্পতিহালক নিৰাপত্তাৰ আশ্বাস দিব লাগে যাতে তেওঁলোকে একেলগে থাকিব পাৰে।

*উৎস ঃ Sunday Times of India, New Delhi, October 29, 2006*

**বন্ধনী ৩.১২**

### সমাজত ক্ষমতা কাৰ? সম্পদ, বিশেষ অধিকাৰ নে গাঁওবাসীৰ ? Role of wealth and previledge ? Role of villagers?

চোম্‌পা পঞ্চায়তৰ চাৰপাঞ্চ পদবীটো মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ল। কিন্তু পঞ্চায়তৰ অন্তৰ্গত লোকসকলে বিবেচনা কৰিলে যে মহিলা প্ৰতিদ্বন্দ্বীসকলৰ স্বামী আৰু আন সকলৰ মাজতেই অৰ্থাৎ দুই 'সমান' শক্তিৰ মুখামুখি হব। চাৰপাঞ্চ পদবীত অধিষ্ঠিত ৰাম ৰায় মেৱাৰ (Ram Rai Mewada) কেক্‌ৰীত (kekri) থকা সুৰাৰ দোকানৰ মালিক আৰু একে গাঁৱৰে চান্দ সিং ঠাকুৰ (Chand Singh Thakur) হৈছে এজন ধনী মাটিৰ মালিক। ২০০২-০৩ চনত খৰাং বতৰৰ সাহাৰ্য্য বিতৰণৰ সময়ত মেৱাৰে কৰা অনিয়মৰ দুৰ্নীতিবোৰ গাঁৱৰ বাসিন্দাসকলে উদাঙাই দিলে। মেৱাৰৰ বিৰুদ্ধে কিন্তু কোনো ব্যৱস্থা লোৱা নহ'ল। গাঁৱৰ বাসিন্দাসকলে এইবাৰ কিন্তু তেওঁক সেই পদবীৰ পৰা অপসাৰণ কৰাটো বিচাৰিলে আৰু ঠাকুৰক প্ৰতিদ্বন্দ্বিতাৰ যুদ্ধত অৱতীৰ্ণ কৰাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। চোম্‌পা গাঁৱৰ বসিন্দাসকলে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত ল'লে যে ঠাকুৰেই মেৱাৰৰ উপযুক্ত প্ৰতিদ্বন্দ্বী হ'ব।

**অধিক মাত্ৰাত অংশগ্ৰহণ আৰু তথ্যৰ বাবে সামাজিক সংগঠন আৰু আন্দোলনে পালন কৰা ভূমিকা ঃ (Role of Social movements and organizations for greater participation and information)**

**বন্ধনী ৩.১৩**

কুশলপুৰ পঞ্চায়তৰ অন্তৰ্গত ধৰেলা গাঁৰত ২৪ জানুৱাৰীৰ দিনা এখন সভা হৈছিল। সভাখনৰ বাবে গাঁৱে গাঁৱে গৈ প্ৰচাৰ চলোৱা হৈছিল। ল'ৰা-ছোৱালীবোৰক গোটাই লৈ বিভিন্ন শ্ল'গানেৰে সভাখনৰ বিষয়ে বুজাই দিছিল। এই প্ৰচাৰ কাৰ্যত নামী বেচৰকাৰী সংগঠন (NGO) ৰ এজন কৰ্মীয়ে আগভাগ লৈছিল আৰু গাঁৱৰ সকলোকে চৌপাল (chaupal) নামৰ ঠাইত অনুষ্ঠিত কৰা সভালৈ আহ্বান জনাইছিল.......। তাৰাই (স্থানীয় বেচৰকাৰী সংগঠনৰ সমৰ্থিত প্ৰাৰ্থী) ঘোষণা পত্ৰৰ লগতে এটা চমু ভাষণ আগবঢ়ালে। তেঁওৰ ঘোষণা পত্ৰত আন কথাৰ লগতে এইটো উল্লেখ কৰিলে যে তেওঁ চাৰপাঞ্চ হ'লে ঘোচ নলয় আৰু প্ৰচাৰ অভিযানত দুহেজাৰতকৈ অধিক টকাও খৰচ নকৰে।

ভোট কিনিবলৈ সুৰা আৰু গুড় বিতৰণ তথা জীপগাড়ীৰ সঘন ব্যৱহাৰৰ কৌশলে প্ৰচাৰ অভিযানৰ খৰচ বঢ়াই তোলে। এনেধৰণৰ দুৰ্নীতিৰ সমস্ত প্ৰক্ৰিয়াটো সমবেত ৰাইজৰ আগত ব্যক্ত কৰা হয়। কম খৰচি নিৰ্বাচনেহে সমাজৰ দুখীয়া লোকসকলক ভোটদানত অংশ গ্ৰহণ কৰিবলৈ উৎসাহী কৰাৰ উপৰিও দুৰ্নীতিমুক্ত পঞ্চায়ত গঢ়ি তোলাত সহায়ক হ'ব পাৰে।

**বন্ধনী ৩.১১, ৩.১২ আৰু ৩.১৩-ৰ অনুশীলনী**

ওপৰত সীমাৰেখাৰ ভিতৰৰ কথাখিনি ভালকৈ পঢ়া আৰু তলত দিয়া দিশবোৰ আলোচনা কৰা।

- সা-সম্পত্তিৰ ভূমিকা
- জনতাৰ ভূমিকা
- মহিলাৰ ভূমিকা

## ৩.৩ ৰাজনৈতিক দল, প্ৰভাৱ গোষ্ঠী আৰু গণতান্ত্ৰিক ৰাজনীতি (Political Parties, Pressure Groups and Democratic Politics)

তোমালোকৰ নিশ্চয় মনত পৰিব যে এই অধ্যায়টো আৰম্ভ কৰা হৈছিল গণতন্ত্ৰৰ এটি সংজ্ঞাৰে। যি সংজ্ঞাৰ অৰ্থ হ'ল গণতন্ত্ৰ হৈছে জনতাৰ দ্বাৰা পৰিচালিত জনতাৰ চৰকাৰ। অধ্যায়টিৰ আলোচনাখিনি আগবাঢ়ি যোৱাৰ লগে লগে তোমালোকে আৰু দেখিবলৈ পালা

যে কিদৰে সংজ্ঞাবোৰৰ জৰিয়তে গণতন্ত্ৰৰ চালিকা শক্তিবোৰ অন্তৰ্ভুক্ত হৈছে। কিন্তু গণতান্ত্ৰিক সমাজ ব্যৱস্থাত লুকাই থকা আন কিছুমান দিশ হৈছে জনতাৰ মাজত থকা গোট বা বিভাজনবোৰ। তোমালেকে উপলব্ধি কৰিব পাৰিছা যে কেনেকৈ মানুহৰ স্বাৰ্থ আৰু চিন্তাৰ বিষয় (interest and concern) বোৰ বেলেগ বেলেগ ৰূপত প্ৰকাশ পায়। ভাৰতীয় সংবিধানৰ ২য় দফাত উল্লেখিত ধাৰাবোৰৰ পৰা এইটো দেখা যায় কেনেকৈ সংবিধান সভাত (Constituent Assembly) বিভিন্ন দল বা গোটবোৰে নিজৰ নিজৰ দলীয় স্বাৰ্থবোৰৰ হকে প্ৰতিনিধিত্ব কৰিছিল। ঠিক তেনেদৰে ভাৰতীয় সংবিধানৰ ইতিবৃত্ত সম্পৰ্কে আলোচনা কৰোতেও এনেবোৰ কথা পৰিষ্কাৰ হোৱা দেখা যায়। দৈনিক বাতৰি কাকতখনে বিভিন্ন গোট বা দলীয় সমস্যাবোৰ কেনেদৰে প্ৰতিদিনে চৰকাৰলৈ নিক্ষেপ কৰে তাৰ অলেখ উদাহৰণ তোমালোকে সদায় দেখি আহিছা।

স্বাভাবিকতে এটা প্ৰশ্ন উদয় হয় - স্বাৰ্থজড়িত সকলো গোট (interest group) বা মহলবোৰ একেই নে? অথবা গোটবোৰক তুলনামূলকভাৱে চাব পাৰি নে? নিৰক্ষৰ কৃষিকৰ্মী বা শিক্ষিত বনুৱা এজনে চৰকাৰক পতিয়ন নিয়াব পৰাকৈ দৃঢ়তাৰে নিজৰ দাবী বা বিষয়বোৰ উত্থাপন কৰিব পাৰিবনে যিদৰে উদ্যোগপতিয়ে পাৰে?

### ক্ৰিয়াকলাপ ৩.১

- এসপ্তাহকালৰ যিকোনো এখন বাতৰি কাকত নতুবা আলোচনী সংগ্ৰহ কৰা আৰু এইবোৰত প্ৰতিফলিত হোৱা স্বাৰ্থজড়িত প্ৰধান কথাখিনি গোটোৱা।
- স্বাৰ্থবোৰ প্ৰতিফলিত হোৱা প্ৰধান প্ৰধান বিষয়বোৰ (issue) চিনাক্ত কৰা।
- বিভিন্ন দলবোৰে নিজৰ নিজৰ স্বাৰ্থত কোনবোৰ পন্থা হাতত লৈছে সেইবোৰ চিনাক্ত কৰা।
- প্ৰধানমন্ত্ৰী বা তেনে কোনো কৰ্তৃপক্ষক সাক্ষাৎ কৰিবৰ বাবে ৰাজনৈতিক দলৰ কোনো আনুষ্ঠানিক প্ৰতিনিধি বৰ্গ আছে নেকি?
- ৰাষ্ট্ৰীয় পথত বিৰোধিতা কৰা হৈছে নেকি?
- বাতৰি কাকত বা তেনে কোনো লিখনিৰ দ্বাৰা এইবোৰ প্ৰচাৰ কৰা হৈছে নেকি?
- ৰাজহুৱা সভা সমিতিৰ যোগেদি হৈছে নেকি?
- কোনো ৰাজনৈতিক দল পেছাদাৰী সংস্থা (professional association), বেচৰকাৰী সংগঠন বা কোনো নিকায় আদিয়ে হাতত লোৱা সমস্যা বা বিষয়বোৰ (issue) চিনাক্ত কৰা।
- ভাৰতীয় গণতন্ত্ৰ ইতিহাসৰ লগত জড়িত থকা প্ৰমুখ ব্যক্তিসকলৰ বিষয়ে আলোচনা কৰা।

তেওঁলোকৰ কোনোজনেই বিষয়বোৰ ব্যক্তিগতভাৱে উত্থাপন কৰিব নোৱাৰে। উদ্যোগপতি সকলৰ মাজত "ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰচ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰী"(Federation of Indian Chambers of Commerce and Industry FICCI) আৰু এচ'চিয়েচন অৱ চেম্বাৰচ অৱ কমাৰ্চ (Association of Chambers of Commerce) নামেৰে অনুষ্ঠানবোৰ গঠন

কৰি লৈছে। ঠিক তেনেদৰে ঔদ্যোগিক শ্ৰমিকসকলৰ মাজতো “ভাৰতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছ” (Indian Trade Union Congress INTUC) বা ভাৰতীয় ট্ৰেড ইউনিয়ন কেন্দ্ৰ (Centre For Indian Trade Unions CITU) আদি সংগঠনবোৰ আছে। একেদৰেই খেতিয়ক সকলৰ মাজতো তেওঁলোকৰ নিজা নিজা সংগঠন যেনে--“শেতকাৰী সংগঠন (Shetkari Sangathan) আৰু কৃষক মুক্তি সংগ্ৰাম সমিতি (Krishak Mukti Sangram Samiti) আদি সংগঠনবোৰ দেখা যায়। আগৰ অধ্যায়ত তোমালোকে জনজাতীয় সমাজত গঢ়ি উঠা অন্যান্য সংগঠন তথা সামাজিক আৰু পৰিবেশ সম্পৰ্কীয় আন্দোলনবোৰৰ বিষয়ে পঢ়িবলৈ পাইছা।

গণতান্ত্ৰিক চৰকাৰৰ শাসন ব্যৱস্থাত ৰাজনৈতিক দলবোৰে (Political Parties) প্ৰধান ভূমিকা পালন কৰে। ৰাজনৈতিক দলবোৰ হৈছে একো একোটা সংগঠন যিবোৰে নিৰ্বাচন প্ৰক্ৰিয়াৰ মাজেদি চৰকাৰী শাসন ব্যৱস্থাক বৈধভাৱে নিয়ন্ত্ৰণ কৰাত মনোনিৱেশ কৰে। চৰকাৰী শাসন ক্ষমতাক হস্তগত কৰি আৰু সেই ক্ষমতাৰ যোগেদি বিশেষ কাৰ্য আঁচনি ৰূপায়ণ কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই ৰাজনৈতিক দলবোৰ গঠন কৰা হয়। সমাজৰ কোনো বিশেষ দিশৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি আৰু সেইবোৰৰ যুক্তিযুক্ততাৰ সপক্ষে যুক্তি দৰ্শাই ৰাজনৈতিক দলবোৰ বৰ্তি থাকে। গণতান্ত্ৰিক ব্যৱস্থাত বিভিন্ন গোট বা সমূহৰ স্বাৰ্থজড়িত উদ্দেশ্যবোৰ ৰাজনৈতিক দলবোৰেই প্ৰতিনিধিত্ব কৰে আৰু উত্থাপন কৰে। ইয়াৰ মাজতে ভিন ভিন স্বাৰ্থজড়িত মহলবোৰে (interest groups) ৰাজনৈতিক দলবোৰক প্ৰভাৱান্বিত কৰি থাকে। কোনো গোট বা সমূহে তেওঁলোকৰ স্বাৰ্থক উপযুক্তভাৱে বা আশাকৰা মতে যদি প্ৰতিনিধিত্ব নকৰা বুলি অনুভৱ কৰে, তেওঁলোকে বিকল্প দল গঠন কৰাৰ প্ৰচেষ্টাও কৰে। নতুবা প্ৰভাৱ গোষ্ঠী গঠন কৰি চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগৰ চেষ্টা কৰে। গতিকে স্বাৰ্থ জড়িত গোটবোৰে (interest groups) তেওঁলোকৰ কোনো বিশেষ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবে লগ লাগে আৰু প্ৰধানকৈ বিধান সভাৰ বিধায়কৰ লগত এক গোট হৈ (lobby) সংঘবদ্ধ হয়। কিছুমান পৰিস্থিতিত ক্ষমতা লাভৰ আশাত তেওঁলোকে ৰাজনৈতিক দলো গঠন কৰে। এনেদৰে গঠন কৰা সংগঠনবোৰক গণ অভ্যুত্থান (movement) বুলি ক'ব পাৰি।

**বন্ধনী ৩.১৪**

প্ৰতিবছৰে ফ্ৰেব্ৰুৱাৰী মাহৰ শেষ ভাগত ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰীয়ে সংসদত বাজেট দাখিল কৰে। ইয়াৰ ঠিক আগে আগে উদ্যোগপতিৰ সংগঠনবোৰ, ট্ৰেড ইউনিয়ন, কৃষক সংস্থা আৰু শেহতীয়াকৈ মহিলা সংগঠনবোৰে বিত্ত মন্ত্ৰণালয় লগত কৰা বিভিন্ন প্ৰকাৰৰ আলোচনাবোৰৰ বিষয়ে বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়।

**বন্ধনী ৩.১৪-ৰ অনুশীলনী**

এইবোৰ প্ৰভাৱগোষ্ঠী (pressure group) বুলি ভাবিব পাৰা নেকি?

এটা কথা ঠিক যে সকলো গোট বা সমূহে এখন চৰকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। সেইবাবে কিছুমানে ভাৱে যে সমাজত প্ৰভাৱ বিস্তাৰ কৰিব পৰা আন কিছুমান গোট যেনে -- সামাজিক শ্ৰেণী (social class) , জাতি (Caste) অথবা লিংগগোট (gender) বোৰৰ ক্ষমতা বা শক্তি উক্ত প্ৰভাৱগোষ্ঠীবোৰে ক্ৰমান্বয়ে দুৰ্বল কৰি আনিছে। তেওঁলোকে ক'বলৈ বিচাৰে যে সমাজত যিবোৰ প্ৰভাৱশালী শ্ৰেণী (dominant class) আছে সেইবোৰৰহে ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা থাকে। কিন্তু এইটো কথা প্ৰতীয়মান নহয় যে সামাজিক আন্দোলন (social movement) আৰু প্ৰভাৱগোষ্ঠীবোৰৰ ভূমিকা নাই। গণতান্ত্ৰিক সমাজব্যৱস্থাত এইবোৰৰ উল্লেখনীয় ভূমিকা সদায়েই থাকে। এই বিষয়ে অষ্টম অধ্যায়ত বৰ্ণনা কৰা হৈছে।

**বন্ধনী ৩.১৫**

**ৰাজনৈতিক দল সম্পৰ্কত মেক্সৱেবাৰ (Max Weber on Parties)**

শ্ৰেণী (class) প্ৰকৃত স্থিতি উপলব্ধি হয় অৰ্থনৈতিক ব্যৱস্থাত। প্ৰস্থিতি (status) সামাজিক ব্যৱস্থাত.........কিন্তু দল (parties) (ৰাজনৈতিক) বোৰৰ স্থান নিৰ্ণয় কৰা হয় ক্ষমতা গৃহত (house of power) । কোনো সু-নিৰ্দিষ্ট আঁচনিৰে বিশেষ লক্ষ্য আদায় কৰিবলৈ দলবোৰে তেওঁলোকৰ কাম কৰি যায়। এই লক্ষ্যবোৰেই দল গঠনৰ মূল কাৰণ হব পাৰে (দলবোৰে কোনো আদৰ্শত বা বৈষয়িক উদেশ্যতো নিজৰ কৰ্ম আঁচনি সাধন কৰিবলৈ বিচাৰে)। দল গঠনৰ উদ্দেশ্য কেতিয়াবা একান্ত ব্যক্তি বিশেষক হব পাৰে (কৰ্মহীনভাৱে বেতন আৰ্জন কৰা, পদবীৰ সন্মান ধৰি ৰখা ইত্যাদি......এইবোৰ নেতাজনৰ আৰু তেওঁৰ অনুগামীসকলৰ বাবে সন্মান হ'ব পাৰে)

*Max Weber 1948 : 194*

## বন্ধনী ৩.১৬-ৰ অনুশীলনী

- 3.16 ৰ সীমাৰেখাৰ ভিতৰৰ কথাখিনি মনোযোগেৰে পঢ়া একেধৰণৰ আন আন নগৰ-চহৰবোৰৰ ঘটনাবোৰকো তোমালোকে মিলাই চাব পাৰা।
- দুখীয়া লোকসকল, চাকৰিজীৱীসকল, মধ্যবিত্ত শ্ৰেণী আৰু ধনীলোকসকলৰ নিজ নিজ স্বাৰ্থবোৰ চিনাক্ত কৰা।
- বিভিন্ন গোটবোৰে ৰাষ্টাত কিদৰে আচৰণ কৰে?
- তোমালোকে চৰকাৰৰ ভূমিকাৰ বিষয়ে কেনেদৰে ভাবা আলোচনা কৰা।
- মেক্‌কিনছে (Mekinsey) ৰ লেখীয়া পৰামৰ্শদাতা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভূমিকা কি? তেওঁলোকে প্ৰধানকৈ কাৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰে?
- ৰাজনৈতিক দলবোৰৰ ভূমিকা কি?
- তোমালোকে ভাবিব পৰা নেকি যে দুখীয়া লোকসকলে পৰামৰ্শদাতা ব্যৱসায়িক প্ৰতিষ্ঠানবোৰতকৈ ৰাজনৈতিক দলবোৰক বেছি প্ৰভাৱান্বিত কৰিব পাৰে? ইয়াৰ কাৰণ এইটোৱেই নেকি যে ৰাজনৈতিক দলবোৰ জনতাৰ ওচৰত জবাবদিহি, কাৰণ নিৰ্বাচনৰ যোগেদি তেওঁলোকক ওফৰাই দিব পাৰি।

মুম্বাই মহানগৰীৰ প্ৰগতিৰ বিষয়ক লৈ কেতবোৰ স্বাৰ্থজড়িত গোটে কেনেদৰে কাম কৰিছে, সেই বিষয়ে কিছুমান উদাহৰণ সহ তলত বৰ্ণনা কৰা হৈছে।

**বন্ধনী ৩.১৬**

যোৱা কিছুবছৰত ভাৰতৰ কিছুমান মহানগৰীক গোলকীয় মহানগৰী কৰিবলৈ কৰা প্ৰয়াস আকৰ্ষণীয়ভাৱে ফুটাই তোলা হৈছে। প্ৰধানমন্ত্ৰীৰূপে কাৰ্যভাৰ লোৱাৰ পাছত প্ৰথমবাৰৰ বাবে মুম্বাই ভ্ৰমণৰত ড° মনমোহন সিঙে প্ৰচাৰ মাধ্যমক উদেশ্যি কৈছিল যে মুম্বাই মহানগৰীখন চাংহাই মহানগৰৰ নিচিনাকৈ পৰিবৰ্তন হোৱাতো তেওঁ বিচাৰে।

নগৰক লৈ কল্পনা আৰু পৰিকল্পনা কৰা সকলৰ বাবে মুম্বাই মহানগৰীৰ বাবে প্ৰয়োজন হৈ পৰিল ইয়াৰ উত্তৰ-দক্ষিণ আৰু পূৰ্ব পশ্চিমক সংলগ্ন কৰাৰ আঁচনি। সেইকাম কৰিবলৈ যাওঁতে তেওঁলোকে "express ring freeway" নিৰ্মাণৰ যুক্তিযুক্ততা আগবঢ়ালে যাতে মহানগৰীৰ যিকোনো ঠাইৰ পৰা ১০মিনিটৰ ভিতৰতে ‘মুক্তপথ (free way) পাব পাৰি। সেইদৰে মহানগৰীত খৰতকীয়া প্ৰবেশ আৰু


প্ৰস্থান (Quick entry and exit) আৰু যান-বাহন ওলোৱা সোমোৱা সুনিপুণ ব্যৱস্থা (efficient traffic dispersal) বোৰেও তাৎক্ষণিকভাৱে কাম কৰা দেখা গ'ল।

সা-সুবিধাৰ দিশত পিছপৰাসকলৰ বাবে ৰাষ্টাবোৰে অন্যধৰণে ভূমিকা পালন কৰে। এনেধৰণৰ ৰাষ্টাৰ সংখ্যা মুক্তপথ সংলগ্ন কৰা পথতকৈ কম। ৰাষ্টাবোৰ সাধাৰণতে বিভিন্ন ধৰণৰ বজাৰ আৰু মেলা আদিৰে ভৰপূৰ অৱস্থাত থাকে যিবোৰে ভ্ৰমণকাৰী আৰু তীৰ্থযাত্ৰী সকলৰ যানবাহনৰ কেন্দ্ৰস্থল তথা অৰ্থনৈতিক সামগ্ৰীৰ আদান-প্ৰদানৰ ঠাই ৰূপেও কাম কৰি থাকে। ৰাষ্টাৰ ওপৰতে বহুধৰণৰ মানুহৰ সমাগম হয়। ৰাষ্টাত বয় বস্তু বেচা-কিনা কৰা, খোৱা-লোৱা কৰা, চাহ-মিঠাইৰ দোকান চলোৱা, অবাবতে ৰাষ্টাত জুম বন্ধা, জন সমাগম, আনকি ৰাষ্টাৰ ওপৰতে ক্ৰিকেট খেলা আদি নানা তৰহৰ কৰ্মবোৰে ৰাজহুৱা ঠাই আৰু ব্যক্তিগত ঠাইৰ মাজত সীমা নাইকীয়া কৰে। নগৰ পৰিকল্পনাৰ লগত জড়িত লোকসকলে এইবোৰ সমস্যাৰ কথা আঙুলিয়াই কয় যে অযথা জন সমাগমবোৰৰ ফলত যাতায়াতৰ অনেক বাধাৰ সৃষ্টি হয়।

এনেধৰণৰ সমাগমবোৰ আঁতৰ কৰিবৰ বাবে লোকসকলক চহৰৰ সমীপবৰ্তী অঞ্চললৈ স্থানান্তৰ কৰা হয়। Mckinsey ৰ এখন ব্যক্তিগত পৰামৰ্শদাতা প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰস্তুত কৰা হয় 'কল্পনাৰ মুম্বাই' (vision mumbai) ।নথিপত্ৰত কোৱা হ'ল......দুখীয়া লোকসকলৰ বাবে বৃহৎ সংখ্যক বাসগৃহ চহৰৰ বাহিৰত নিৰ্মাণ কৰা হব। তেওঁলোকে ইয়াত কেনেকৈ জীৱন নিৰ্বাহ কৰিব ? তলত উল্লেখ কৰা কথাখিনিয়ে দৰিদ্ৰ লোকসকলৰ আৰ্তনাদ প্ৰকাশ কৰিছে।

"প্ৰকতাৰ্থত আমি পৃথিবীৰ মাটি ভাগক গতি লগাব পৰা মানুহ আৰু আমি ট্ৰেক্টৰখনৰ দৰে। আমি মাটিবোৰ সমান কৰো, তাৰোপৰি চহৰ গঠনত অৱদান আগবঢ়াই আহিছো। চহৰৰ সমূহ লেতেৰা বস্তুবোৰ আমি চাফা কৰো আৰু সেইবোৰ চহৰৰ বাহিৰলৈ আঁতৰাই লৈ যাওঁ। চহৰৰ বাসিন্দাসকলে কেতিয়াও নলা-নৰ্দমা চফা নকৰে, নাখান্দে। চহৰখন কেৱল ধনী গোষ্ঠীৰ বাবেই নহয়।, ইয়াত এজনে আনজনৰ ওচৰ চাপিবই লাগিব। আমি ভিক্ষা নকৰো, আমি আপোনালোকৰ কাপোৰ-কানি ধোওঁ আৰু পৰিষ্কাৰ কৰো। মহিলা সকলে চাকৰি কৰিবলৈ যায় আৰু আমি তেওঁলোকৰ লৰা-ছোৱালী প্ৰতিপালন কৰে মন্ত্ৰালয়ৰ কৰ্মচাৰীসকল, ৰাজহ সংগ্ৰহ কৰোতা সকল, বম্বে পৌৰনিগমৰ লোকসকল আনকি আৰক্ষী লোকসকলো চহৰৰ বস্তি অঞ্চলত (slums) থাকে। আমাৰ বাবেই মহিলা সকলে ৰাতিও নিৰাপদে ফুৰিব পাৰে। বম্বেৰ প্ৰথম শ্ৰেণীৰ লোকসকলে মুম্বাইক বিশ্বৰ আগশাৰীৰ মহানগৰ ৰূপে আখ্যা দিয়ে। দুখীয়া সকলক আঁতৰাই বিশ্বশ্ৰেণীৰ (world class) মহানগৰ আখ্যা পাব পাৰি জানো ?

*Anand 2006: 3422*




## প্ৰশ্নাৱলী

১) গণতান্ত্রিক কার্য ব্যৱস্থাত স্বাৰ্থজড়িত গোটবোৰ (interest groups) এৰাব নোৱাৰা অংশ বিশেষ আলোচনা কৰা।

২) সংবিধান সভাৰ বাক্‌বিতণ্ডাখিনি পঢ়া আৰু ইয়াৰ স্বাৰ্থজড়িত গোটবোৰ চিনাক্ত কৰা। সমসাময়িক ভাৰতবৰ্ষত কেনেধৰনৰ স্বাৰ্থজড়িত গোট দেখা পোৱা যায় আলোচনা কৰা। এই গোটবোৰে কেনেকৈ কাম কৰি আছে?

৩) তোমালোকৰ শিক্ষানুষ্ঠানত নিৰ্বাচনৰ বেলিকা একে মনোভাৱাপন্ন ছাত্ৰ-ছাত্ৰীৰ সৈতে কিছুমান গোট স্থাপন কৰি নিৰ্বাচনৰ আদৰ্শ প্ৰচাৰ কৰা। (৫ বা ৬ জন ছাত্ৰ-ছাত্ৰী মিলি পঞ্চায়ত নিৰ্বাচনৰ দৰে কৰিব পাৰা)

৪) 'সংবিধানৰ ৭৩ তম সংশোধনীয়ে গ্ৰাম্যবাসিন্দা সকললৈ চমকপ্ৰদ পৰিবৰ্তন আনিলে"

- আলোচনা কৰা

৫) ভাৰতীয় সংবিধানে ভাৰতীয় সকলৰ দৈনন্দিন জীৱন প্ৰণালীত কেনেদৰে স্পৰ্শ কৰিছে উদাহৰণ সহ এখনি ৰচনা যুগুত কৰা।

## REFERENCES

Anand, Nikhil. 2006. 'Disconnecting Experience: Making World Class Roads in Mumbai'. *Economic and Political Weekly* (August 5th). pp. 3422-3429.

Ambedkar, Babasaheb. 1992. 'The Buddha and His Dharma' in V. Moon (Ed.) *Dr. Babasaheb Ambedkar: Writings and Speeches*. Vol. 11. Bombay Educational Department. Government of Maharashtra.

Sen, Amartya. 2004. *The Argumentative Indian: Writings on Indian History, Culture and Identity.* Allen Lane. Penguin Group. London.

Weber, Max. 1948. *Essays in Sociology* Ed. with an introduction by H.H. Gerth and C. Wright Mills. Routledge and Kegan Paul. London.